Assam Legislative Assembly Debates

OFFICIAL REPORT

FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION
VOLUME—1
NO. 5

The 6th March, 1987

Price—Rs. 15·50

CONTENTS

BUDGET SESSION

Volume—1

No.—5

Dated, the 6th March, 1987

		Page
1.	Questions & Answers	1
2.	Miscellaneous Discussion	42
3.	Introduction of Government Bills	49
4.	Laying of Reports	49
5.	Debates on Governor's Address	50
6.	Adjournment	74
7.	Annexure	75

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1987

Friday, March 6, 1987

The Assembly met at Eight thirty of the clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair

STARRED

QUESTIONS AND ANSWERS
(To which oral replies were given)

Re : Pool Cars

Shri Shio Shambhu ojha, asked :
Will the Minister, Transport be pleased to state :

*61. (a) The number of pool cars available with G. A. D. and S.A.D. ?

(b) The number of cars allotted to the Honourable Members of the ruling party since 25th December, 1985 ?

(Names may be furnished)

(c) If so, who are the members ?

(d) The amounts collected so far for the use of the pool vehicle by the members since December, 1985 ?

(e) Whether the members of the opposition parties were given privilege of using pool car and if so who are they ?

Shri Lalit Chandra Rajkhowa (Minister of Transport) replied :

(a) The number of Pool Cars available with G.A.D. and S.A.D. are as follows :

(1) G.A.D	......	9 Cars
(2) S.A.D.	......	Nil

(b) & (c) 5 cars are with the Members of the Ruling party as per list placed on the table of the House.

(d) Rs. 12,645·00

(e) Yes ; a list of members who have been alloted cars as on 4. 3. 87 is placed in the table of the House. (See annexure-I)

Shri Santi Ranjan Das Gupta : I have got supplementaries. Will the Minister, Transport kindly state whether he has given a correct statement.

Shri Lalit Chandra Rajkhowa, (Minister, Transport) : It is correct.

Shri Santi Ranjan Das Gupta : Mr. Speaker sir, in reply to No. (a), the car allotted has been stated—G.A.D.— 9 cars. From the list it is found, the ruling party has given the car Nos. ASU-6801, AMZ-4572, AMZ-6197, ASU-6796 and ASU-6794, total 5 cars. The Minister replied that he has allotted 9 cars, but in the list, it is given 10 cars in total.

শ্রীললিত চন্দ্র ৰাজখোৱা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে কোৱাই হৈছে আৰু যি সকলক গাড়ী দিয়া হৈছে সেই সকলৰ লিষ্ট দিয়াই হৈছে।

বিষয় : সেচের আওতায় জমি

শ্রীৰামেন্দ্র দে য়ে সুধিছে :

মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রীয়ে অনুগ্রহ কৰি জনাবনে ?

*৬২ (ক) আসামের মোট কতটা কৃষিপোযোগী জমির মধ্যে শতকরা কত ভাগ জমি এযাবৎ সেচের আওতায় এসেছে ?

(খ) আসামের কত সংখ্যক কৃষক সেচের দ্বারা উপকৃত হচ্ছেন ?

শ্রীপবিন্দ্র ডেকা (জলসিঞ্চন মন্ত্রী) য়ে উত্তৰ দিছে।

(ক) অসমৰ কৃষি উপযোগী আনুমানিক মুঠ ২৭ লাখ হেক্টৰ খেতি মাটিৰ ১৯৮৭ চনৰ জানুৱাৰী মাহ পৰ্য্যন্ত প্ৰায় ৪.১৬ লাখ হেক্টৰ জলসিঞ্চনৰ দ্বাৰা সামৰি লোৱা হৈছে, অৰ্থাৎ প্ৰায় ১৫.৪০ শতাংশ।

(খ) উপকৃত কৃষকৰ কোনো তথ্য জলসিঞ্চন বিভাগৰ হাতত নাই।

শ্রীরামেন্দ্র দে : অধ্যক্ষ মহোদয়, সারা ভারতের তুলনায় এই ১৫ শতাংশ কি অতি নগন্য নয় ? যদি তাই হয় তার উন্নতি কল্লে সরকার কোন ব্যবস্থা নেবেন কি ? সেচ বিভাগ যে আসাম রাজ্যে জল যোগানের ক্ষেত্রে ব্যর্থ হয়েছে সে কথা সরকার স্বীকার করবেন কি ? আর এই ব্যর্থতার কারণ সরকার তদন্ত করে দেখবেন কি ?

শ্রীপবিন্দ্র ডেকা (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো চৰকাৰৰ ব্যৰ্থতা বুলি ঠিক কৰ নোৱাৰি। ভাৰতবৰ্ষত জলসিঞ্চিত মাটিৰ পৰিমাণ ৬০ শতাংশলৈকে গৈছে কিন্তু অসমত ইয়াৰ পৰিমাণ ১৫ শতাংশতে আছে। ইয়াৰ কাৰণো আছে। অসমৰ জলসিঞ্চনৰ ব্যৱস্থা খুউব পলমকৈ আৰম্ভ কৰা হৈছে। ষাঠিৰ দশকতহে আৰম্ভ কৰা হৈছে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্য যেনে, উত্তৰ প্ৰদেশ আদিত ১৮ শতিকাতে আৰম্ভ কৰা হৈছে। অসমত জলসিঞ্চনৰ ব্যৱস্থা দেৰিকৈ আৰম্ভ কৰাৰ কাৰণেই আৰু আগৰ চৰকাৰে ইয়াত প্ৰাধান্য নিদিয়াৰ কাৰণেই সৰ্বভাৰতীয় ৰাষ্ট্ৰীয় হাৰৰ তুলনাত অসম জলসিঞ্চনৰ ক্ষেত্ৰত যথেষ্ট পিছপৰি আছে। এইটো বৰ্তমান চৰকাৰৰ ব্যৰ্থতা বুলি কৰ নোৱাৰি, আগৰ চৰকাৰে প্ৰাধান্য নিদিয়াটোহে ব্যৰ্থতা বুলি কৰ লাগিব।

Re : **Mini Hydel Project at Bhairabkunda.**

Shri Binai Khungar Basumatari asked :

Will the Minister, Power be pleased to state :

*63 (a) Whether, it is a fact that a Mini Hydel Project has been sanctioned at Bhairabkunda in Darrang District, as a complement of Dhansiri Irrigation Project ?

(b) If so, whether tenders for its construction has been called for ?

(c) What are the salient features of this project and whether it is an economical one ?

Shri Lalit Chandra Rajkhowa (Minister of Power) replied :

(a) Yes.

(b) Tenders for the Generating Equipments have been called for. Tenders for Power House construction will be invited after finalising equipment orders.

(c) The Project envisages installation of 15 (fifteen) number of 1·33 MW Turbe. Generating sets in 5 (five) Power Houses (3 numbers in each power House). Each power station will operate under 9 meters gross head, which is available on Dhansiri Irrigation. Cannal being executed by the State Irrigation Department. The five Power Stations will be connected to a common switch-yard and evacuation of power from the project will be made through a 33 KV line connecting it to Rowta Grid Sub-Station. An amount of Rs. 1053·39 Lakhs has been sanctioned by the Planning Commission in February, 1985 on the basis of an estimate was revised by the Assam State Electricity Board in March' 85 and sent to Central Electricity Authority for scrutiny and recommendation. Revised cost estimate dated

March 1985 stood at Rs, 1540 lakhs. As per revised estimate cost of energy at Power House Bus Works out to 23·62 Paise per unit, which is considered to be very economical.

Shri Binai Khungur Basumatari : Sir, my supplementaries are (1) what will be the total generating capacity of this project either in MW or in KW? (2) Can we not procure more powerful turbine to generate more power for use in this project? (3) Out of the sanctioned amount, how much amount is now readily available with the Government?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ১·৩৩ ৰপৰাই উৎপাদন কৰা হব।

Shri Binai Khungur Basumatari : Whether the Government is aware of a new powerful turbine which can generate more power with the same specification till this new machine is used?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় ইয়াৰ বাবে ১৯৮৬-৮৭ চনত ১৫০ লাখ টকা দিয়া হৈছে। সেইদৰে ১৯৮৭-৮৮ চনৰ বাবে ধাৰ্য্য কৰা হৈছে ১৫০ লাখ টকা।

Shri A. F. Gulam Osmani : Sir, may we know which company is being asked to supply that turbine?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ইয়াত কোৱা হৈছে যে আধুনিক মেচিনৰ যা-যোগাৰ কৰাৰ ব্যৱস্থা কৰা হৈছে। এই তথ্যটো ইয়াত নাই।

বিষয় : ব্ৰহ্মপুত্ৰৰ মথাউৰী মেৰামতি

শ্ৰীশ্বহীদুল ইছলামে সুধিছে :

মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

*৬৪ (ক) মৈৰাবাৰী অঞ্চলত ব্ৰহ্মপুত্ৰৰ মথাউৰী মেৰামতিৰ কাৰণে ১৯৮৬-৮৭ চনত চৰকাৰে কিমান টকা মঞ্জুৰ কৰিছে জনাবনে ?

(খ) উক্ত মথাউৰী মেৰামতি কৰিবলৈ কিমান মাটি অধিগ্ৰহণ কৰিছে জনাবনে ?

(গ) ক্ষতিগ্ৰস্থ পৰিয়ালৰ সাহাৰ্য্যৰ কাৰণে বাননিয়ন্ত্ৰন বিভাগে ৰাজহ বিভাগৰ জৰিয়তে কি ব্যৱস্থা হাতত লৈছে জনাবনে ?

শ্ৰীছামছিং হাঞ্চে (বাননিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) মৈৰাবাৰী অঞ্চলত ব্ৰহ্মপুত্ৰৰ মথাউৰী মেৰামতিৰ কাৰণে ১৯৮৬-৮৭ চনত কোনো টকা মেৰামতিৰ শিতানত মঞ্জুৰ কৰা নাই ।

(খ) প্ৰশ্ন নুঠে ।

(গ) প্ৰশ্ন নুঠে ।

শ্ৰীশ্বহীদুল ইছলাম : মৈৰাবাৰী অঞ্চলত ইতিমধ্যে ঠিকাদাৰে কাম আৰম্ভ কৰিছে । মই জানিব বিচাৰিছো তাত কিমান টকা মঞ্জুৰ কৰা হৈছে আৰু মাটি অধিগ্ৰহণৰ কাৰণে ক্ষতিগ্ৰস্থ পৰিয়াল সমূহক কি সাহাৰ্য্য দিয়া হৈছে সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীছামছিং হাঞ্চে (মন্ত্ৰী) : প্ৰশ্নটো কৰোতে মেৰামতিৰ কথা কোৱা হৈছিল সেই কাৰণে মেৰামতিৰ শিতানত টকা নাই বুলি কৈছো । আঁচনি তাত আছে ।

বিষয় : কুলসী নদীৰ বানপানী প্ৰতিৰোধ

শ্ৰীকমলা কলিতায়ে সুধিছে :

মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

*৬৫ (ক) কুলসী উপনদীৰ প্ৰবল বানপানীত প্ৰতি বছৰে ছয়গাওঁক প্লাবিত কৰা চৰকাৰে জানেনে ?

(খ) যদি জানে, ইয়াৰ প্ৰতিৰোধৰ কিবা আঁচনি আছে নেকি ?

(গ) কুলসী নৈৰ দুয়োপাৰে মথাউৰী নিৰ্মাণ কৰাৰ আঁচনি আছে নেকি ?

(ঘ) যদি আছে, এই আঁচনি বৰ্তমান কি অৱস্থাত আছে ?

শ্ৰীছামছিং হাঞ্চে (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) চৰকাৰে জানে।

(খ) সদ্যহতে নাই ।

(গ) সদ্যহতে নাই ।

(ঘ) প্ৰশ্ন নুঠে ।

শ্ৰীকমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মোৰ 'ক' প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে জনাইছে যে চৰকাৰে জানে আৰু 'খ' আৰু 'গ' উত্তৰত সদ্যহতে নাই। কিয় নাই মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীছামছিং হাঞ্চে (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত ক'ব বিচাৰিছো যে, এই ঠাইখিনি অলপ-মান কেৰাহীৰ নিচিনা দ ঠাই আৰু ক'ৰবাত অলপ ওখ। সেই কাৰণেই তাত বেচি বৰষুণ হলেই পানী জমা হয় আৰু কম বৰষুণ হলেই পানী জমা হৈ নাথাকে। সেই ঠাইখিনি অন্যান্য ঠাইৰ তুলনাত ক্ষতি হোৱাৰ আশংকা কম। সেই কাৰণে আঁচনি লবলগীয়া হোৱা নাই।

Shri Charan Narzari : Sir, whether it is a fact that the State Flood Control Department has no control at all on the Brahmaputra Flood Control Board and whether it is also a fact that the Honourable Flood Control Minister Mr. Samsing Hanse feels that he does not feel himself to be the Minister in-charge Flood Control in the Brahmaputra Valley for the Brahmaputra Valley and he is primarily concerned to the flood control business of Barak Valley and two Hills districts ?

Shri Samsing Hanse (Minister) : Sir, the Brahmaputra Board actually is not under the control of the State Government. The second answer is that the fund of Brahmaputra Valley is purely provided by the Centre, so that the Flood Control Minister has no power whatever may be the desire of the State Government but in the Barak Valley and Hill areas it is purely under the State Government ; so the State Government can do the work as desired by the State Government and that is why to some extent the power of the Flood Control Minister of the State is limited.

Dewan Jainal Abedin : Will the Honourable Minister for Flood Control state what is the difficulty in bringing some works in the Brahmaputra protection under the State plan ?

Shri Samsing Hanse (Minister) : Mr. Speaker, Sir, the matter of bringing the entire Flood Control Department under the State Government is now under the consideration of the State Cabinet.

Shri Altaf Hussain Mazumdar : Mr. Speaker, Sir, the Honourable Minister for Flood Control said that so far as the Brahmaputra Flood Control is concerned it is directly done by the Central Government and the Barak Valley is done by the State Government and the fund for Barak valley is separately given. Will the Minister reply that recently the Government of India provided about 10 crores of rupees earmarked for Barak Valley. Has that money been diverted to Brahmaputra Valley ?

Shri Samsing Hanse (Minister) : Sir, such things is never done—rules do not provide such diversion. Fund for Barak Valley is meant for Barak Valley.

Shri Santi Ranjan Dasgupta : Will the Minister say what is the actual relationship between the Government of Assam and the Brahmaputra Flood Control Board ?

Shri Samsing Hanse, (Minister) : Mr. Speaker, Sir, so far as Brahmaputra Flood Control Board is concerned we only depute our officers there for 5 years on completion of which they come back to the State Government. Their duty is to investigate and collect data with regard to Brahmaputra and its tributaties and the fund also is seperately provided by the Central Government.

বিষয় ঃ চেঙা গভীৰ নলী নাদ জলসিঞ্চন আঁচনি।

শ্ৰীমুক্তাৰ হুছেইন য়ে সুধিছে :

মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

*৬৬ (ক) চৰকাৰে জানে নে যে, চেঙা গভীৰ নলী নাদ জলসিঞ্চন আঁচনি যদিও কেইবছৰ মান আগতে লোৱা হৈছে তথাপি প্ৰয়োজনীয় অগ্ৰগতি লাভ কৰা নাই ?

(খ) উক্ত আঁচনি সম্পূৰ্ণ কৰিবলৈ চৰকাৰে কোনো অৰ্থ মঞ্জুৰী দিছেনে আৰু আঁচনিটো কেতিয়া সম্পূৰ্ণ হব জনাবনে ?

(গ) চলিত পঞ্চবাৰ্ষিক পৰিকল্পনাত চেঙা বিধান সভা সমষ্টিত জলসিঞ্চনৰ বাবে আঁচনি গ্ৰহণ কৰা হৈছে নে ?

(কি কি আঁচনি লোৱা হৈছে জনাব)

শ্ৰীপবিন্দ্ৰ ডেকা (জলসিঞ্চন মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) ১৯৮৫ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰশাসনীয় অনুমোদন পোৱা চেঙা গভীৰ নলী-নাদ আঁচনিৰ ২ টা নলী-নাদৰ প্ৰথম পৰ্য্যায়ৰ কাম অৰ্থাৎ নলী-নাদ ২টা বহুৱা কাম সম্পূৰ্ণ হৈছে।

(খ) উক্ত আঁচনিখনৰ বাবে ৮,৯৪৭ ০০ টকাৰ প্ৰশাসনীয় অনুমোদনৰ ভিতৰত বৰ্তমানলৈকে ৪,৬১,০০০ টকা ধাৰ্য্য কৰা হৈছে। আঁচনিখন অহা বিত্তীয় বছৰৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ আশা আছে।

(গ) চলিত পঞ্চবাৰ্ষিক পৰিকল্পনাত ১৯৮৭-৮৮ চনৰ বাবে মহকুমা ভিত্তিত পৰিকল্পনাৰ মুঠ ৭টা গভীৰ নলী-নাদ আঁচনিৰ প্ৰস্তাৱ আছে।

শ্ৰীমুক্তাৰ হুচেইন : মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰথম 'ক' প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে জনাইছে যে, দুটা গভীৰ নলীনাদ চেঙাত জলসিঞ্চনত আঁচনিৰ যোগেদি বহুওৱা হৈছে। এই দুটা নলী নাদেদি কিমান হেক্টৰ মাটিত এতিয়ালৈকে পানী যোগান ধৰিব পাৰিছে ? মোৰ দ্বিতীয় প্ৰশ্ন অৰ্থাৎ 'গ' প্ৰশ্নৰ উত্তৰত জনাইছে যে, বৰপেটা মহকুমা পৰিকল্পনাত ৭টা জলসিঞ্চন আঁচনি আগন্তুক বাৰ্ষিক পৰিকল্পনাৰ ধৰা হৈছে। সেই ৭টা জলসিঞ্চন আঁচনি অকল চেঙা সমষ্টিৰ বাবে নে গোটেই বৰপেটা মহকুমাৰ বাবে ?

শ্ৰীপবিন্দ্ৰ ডেকা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় ইয়াত কোৱা হৈছে মহকুমা ভিত্তিত পৰিকল্পনাৰ মুঠ ৭টা গভীৰ নলী-নাদ আঁচনিৰ প্ৰস্তাৱ লোৱা

হৈছে। প্ৰশ্নটো যিহেতু চেঙাক লৈহে কৰা হৈছে সেয়েহে এই ৭টা আঁচনি চেঙাৰ কাৰণেহে লোৱা হৈছে। আৰু মাননীয় সদস্য গৰাকীয়ে সুধিছে এই দুটা আঁচনিৰ জৰিয়তে কিমান হেক্টৰ মাটিত পানী যোগান ধৰা হৈছে। এটাত হ'ল ১২০ হেক্টৰ আৰু আনটোত হ'ল ১০০ হেক্টৰ, মুঠ ২২০ হেক্টৰ, মাটিত পানী যোগান ধৰা হৈছে।

বিষয় : কুকুৰাবাহী খহনীয়া প্ৰতিৰোধ

শ্ৰীবলভদ্ৰ তামুলীয়ে সুধিছে :

মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

*৬৭ (ক) মৰিয়াহোলা আৰু কুকুৰাবাহী খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কেতিয়াৰ পৰা আৰম্ভ কৰা হব ?

(খ) যোৱা বছৰ ধনশ্ৰী নদীৰ বানপানীয়ে সৃষ্টি কৰা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত চলিত বছৰত খহনীয়া নিয়ন্ত্ৰণৰ বাবে কোন ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

(গ) বোকাখাট সমষ্টিৰ অন্তৰ্গত ক্ষতি হোৱা মথাউৰী সমূহৰ মেৰামতি আৰু সম্প্ৰসাৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছেনে ?

শ্ৰীছামসিং হাঞ্চে (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) মৰিয়াহোলা খহনীয়া প্ৰতিৰোধ ব্যৱস্থা কেন্দ্ৰীয় পৰিকল্পনা আয়োগৰ অনুমোদন আৰু বিত্তীয় যোগান সাপেক্ষে আৰম্ভ কৰা হব। কুকুৰাবাহীৰ খহনীয়া প্ৰতিৰোধ আঁচনি চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ) সদ্যহতে ৪৭৫ মিঃ দৈৰ্ঘ্যৰ শিলৰ বান্ধ মেৰামতি পুঁজিৰ পৰা নিৰ্মাণৰ ব্যৱস্থা লোৱা হৈছে।

(গ) ধনশ্ৰী নদীৰ মথাউৰীৰ ক্ষতিৰ মেৰামতিৰ কাম হাতত লোৱা হৈছে। নিকৰি পি, ডব্লিউ, ডি পথৰ পৰা ধনশ্ৰীমুখলৈ ব্ৰহ্মপুত্ৰ নদীৰ মথাউৰী সম্প্ৰসাৰণৰ প্ৰস্তাৱটো বৰ্তমান চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীবলভদ্ৰ তামুলী : মাননীয় অধ্যক্ষ মহোদয়, যোৱা বানপানীত কুকুৰাবাহী খহনীয়া প্ৰতিৰোধ কৰিব নোৱাৰাৰ কাৰণে যি খিনি অপকাৰ হল সেই ক্ষেত্ৰত আমাৰ মন্ত্ৰী মহোদয়ে নিজেই চাই আহিছে। এই বছৰৰ ভিতৰত সেই কাম সম্পূৰ্ণ কৰিব নোৱাৰিলে বোকা-খাট কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখন ৰক্ষা কৰিব

নোৱাৰিব। ইমান খিনি অপকাৰ হোৱাৰ পাচতো এই কাম কিয় হাতত লব পৰা হোৱা নাই মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীছামসিং হাঞ্চে (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীৰ উত্তৰত কওঁ যে, বিগত বানপানীত যিখিনি ক্ষয়ক্ষতি হৈছে আমি সেই ক্ষয় ক্ষতি পূৰণ কৰিবলৈ ব্যৱস্থা লৈছো। মৰিয়াহোলা আৰু কুৰুৱাবাহী আঁচনিৰ কাৰণে ৰাজ্যিক মন্ত্ৰী আৰু মই কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছো এই আঁচনি ১৩ কোটি টকাৰ হব। এই টকা আহি পোৱাৰ পাচত এই কাম আৰম্ভ কৰিব পৰা যাব।

শ্ৰীবলভদ্ৰ তামুলী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে চিনাকাম অঞ্চলৰ কাম হাতত লোৱাৰ কথা চিন্তা কৰিছে নেকি ?

শ্ৰীছামসিং হাঞ্চে (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰৰ ইমুৰৰ পৰা সিমুৰলৈ সকলোতে একে অৱস্থা। গতিকে আমি পাৰ্য্যমানে ব্যৱস্থা লবলৈ চেষ্টা কৰিছো।

শ্ৰীবলভদ্ৰ তামুলী : অধ্যক্ষ মহোদয়, ধনশিৰি নৈৰ কি ব্যৱস্থা গ্ৰহণ কৰিছে, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীছামসিং হাঞ্চে (মন্ত্ৰী) : মৰিয়াহোলা আৰু কুৰুৱাবাহীৰ আচনিৰ ভিতৰতে ধনশিৰিও পৰে গতিকে এই ১৩ কোটি টকাৰ আঁচনিৰ ভিতৰতেই পৰিব।

Mr. Speaker : A separate question is required.

Shri Charan Narzary : Sir, Kuruabahi is not only the problem. Extensive devastation is being caused by every tributary of the Brahmaputra every year in every district. On various occasions, I have had personal discussions with the Minister-in-charge of Flood Control Department also. There is a long list of flood control schemes under T.S.P and these schemes proposed to be implemented by the State Flood Control Department within the T. S. P. area in the Brahmaputra Valley are to be approved by the Central Government. I have been told by the Minister of the State Flood Control Department that inspite of repeated dialogue between the State Flood Control Department and the

Central Government, money has not yet been released by the Central Government and as a result of that no Flood Control Scheme under the T.S.P. is expected to be executed this year. If this schemes are not be implemented this year, then we are expecting more havoc and greater devastation in many tribal areas. Therefore Sir, I specifically want to know the present position regarding the fate of the Flood Control Schemes under the T. S. P.

শ্ৰীছামসিং হাঞ্চে (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই সম্পৰ্কে মই সদনক জানিবলৈ দিওঁ যে, সৰ্বভাৰতীয় প্ৰতিনিধি দলটো কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ যাওঁতে তেওঁলোকে ওৱাটাৰ ৰিচোৰ্চৰ মন্ত্ৰীক লগ ধৰে। আৰু তেখেতে আশা দিছিল যে জনজাতীয় অধ্যুষিত অঞ্চলত টকা দিব পাৰে। তাৰপাচত আগষ্টৰ ১৩ তাৰিখে যাৱতীয় কাম খিনি সমাধা কৰি ১৭ কোটি টকাৰ এখন আঁচনি গৃহ মন্ত্ৰীলৈ দিয়া হ'ল। বৰ্ত্তমান আঁচনিখন গৃহ মন্ত্ৰীৰ তাতেই আছে আৰু এতিয়াও তাৰ পৰা ওলাই অহা নাই।

বিষয় : ষ্টেটফেডৰ লাভালাভ

শ্ৰীচিলাভিয়াচ কন্দপান য়ে সুধিছে :

মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

*৬৮ অসমৰ ষ্টেটফেডৰ ১৯৮৬-৮৭ চনৰ লাভৰ পৰিমান কিমান?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে—

১৯৮৬-৮৭ বছৰটোৰ ম্যাদ ৩০.৬।৮৭ তাৰিখে শেষ হোৱাৰ পাছতহে বছৰটোৰ লাভ লোকচান জনা যাব।

বিষয় : নৈনৈ নদীত মথাউৰী

শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱা য়ে সুধিছে :

মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

*৬৯। (ক) নৈনৈ নদীত মথাউৰী নথকাৰ ফলত কৃষক ৰাইজৰ হাজাৰ হাজাৰ বিঘা মাটিৰ খেতি নষ্ট হৈ থকাৰ বিষয়ে চৰকাৰ অবগত নে?

(খ) যদিহে অবগত, এই মথাউৰী নিৰ্মাণ কৰা হব নেকি?

(গ) যদি হয়, এই আঁচনি কেতিয়া কাৰ্য্যকৰী হ'ব?

শ্ৰীহোমসিং হাঞ্চে (বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(গ) পুঁজিৰ ব্যৱস্থা সাপেক্ষে ১৯৮৭-৮৮ৰ বাৰ্ষিক পৰিকল্পনাৰ ভিতৰতে কাৰ্য্যকৰী কৰিব পৰা যাব।

Re. : Electrification of Villages.

Shri Abdul Rob Laskar asked :

Will the Minister of power be pleased to State :

*70 (a) Whether the Government is aware that there is no electrification facility in the following villages under Silchar Police Station of Silchar Sub-Division.

(1) Bariknagar Part. I & II.

(2) Silcuocia T. E.

(3) Dharamkhal T. E.

(4) Buwarakhai T. E.

(5) Dhonahari Part II & III

(b) If so, when electricity will be provided to those villages ?

Shri Lalit Chandra Rajkhowa (Minister, Power) replied :

(a) Except for Bariknagar Part II and Dharamkhal T. E, Villages the others have been electrified.

(b) Village Bariknagar Part II CC. No. 155 (Silchar PS) is expected to be electrified by 1987-88. However, Dharamkhal T. E. under Silchar P. S. is not a census village and is not therefore, scheduled for being electrified at present.

Shri Abdul Rob Laskar : Mr. Speaker Sir, will the Honourable Minister direct the electrification authorities for completion of the work early ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : আমি এইটো দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিম।

বিষয় : পুলকাৰৰ সংখ্যা

শ্ৰীৰত্নেশ্বৰ চৰকাৰয়ে সুধিছে :

মাননীয় পুল পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

*৭১ (ক) পুল পৰিবহন বিভাগত কিমান খন 'পুলকাৰ' আছে জনাবনে ?

(খ) এই 'পুলকাৰ' এজন বিধায়কে কিমান দিন ব্যৱহাৰ ক'ৰিব পাৰে ?

(গ) এই 'পুলকাৰ' পাবলৈ হ'লে কাৰ ওচৰত আবেদন কৰিব লাগে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) পুল পৰিবহন বিভাগত সৰ্বমুঠ ৫৩ খন গাড়ী আছে।

(খ) এজন বিধায়কে এখন পুলকাৰ কিমান দিন ব্যৱহাৰ কৰিব পাৰে ইয়াৰ কোনো নিৰ্দিষ্ট সময় নাই।

(গ) পুলকাৰ পাবলৈ হ'লে ৰাজ্য চৰকাৰৰ পৰিবহন বিভাগৰ ওচৰত আবেদন কৰিব পাৰে। আবেদন অনুসৰি গাড়ী মজুত থাকিলেহে বিতৰণ কৰা হয়।

শ্ৰীৰত্নেশ্বৰ চৰকাৰ : মন্ত্ৰী মহোদয়ে কৈছে যে, এজন বিধায়কে পুলকাৰ ব্যৱহাৰ কৰাৰ নিৰ্দিষ্ট সময় নাই। যিসকলে পুলকাৰ ব্যৱহাৰ কৰিব পৰা নাই সেই সকলে নাপাব নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (প'ৰিবহন বিভাগৰ মন্ত্ৰী) : বিধায়ক সকলে পুলকাৰ নাপায় কিন্তু আৱশ্যক অনুযায়ী যিসকলে বিচাৰে তেওঁলোকক দিয়া হয় আৰু সময় মতে ঘূৰাই দিব লাগে।

শ্ৰীৰত্নেশ্বৰ চৰকাৰ : মন্ত্ৰীয়ে লিখি দিয়া সত্বেও পুলকাৰ নিদিয়াৰ কাৰণ জনাব নে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী) : পুলকাৰ নাথাকিলে অসুবিধা হব।

শ্ৰীৰত্নেশ্বৰ চৰকাৰ : গাড়ী আছে নে নাই সেইটো মন্ত্ৰীয়ে চাই লিখি দিলে ভাল হয়।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী) : বিধায়কে যেতিয়া গৈ কয় আপুনি লিখি দিলে কামটো হব, তেতিয়া আমি লিখি দিও।

Shri Binai Khungur Basumatary : Sir, the Honourable Minister in of his replies has said that the Legislators are not entitled to pool cars. Is it correct ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী) : যেতিয়া গাড়ী থাকে তেতিয়া তেওঁলোকে পায়। তাৰ বিনিময়ত তেওঁলোকে পইচা দিব লাগে।

Re : Money for the Hojai Sports Stadium

Dr. Ardhendu Kumar Dey asked :

Will the Minister of Sports and Youth Welfare be pleased to State :

*72. (a) Whether any money has been sanctioned for the Hojai Sports Stadium Grounds.

(b) If the answer is affirmative, what is the amount ?

(c) If is it the negative, why it is not sanctioned ?

শ্ৰীপ্ৰবীণ কুমাৰ গগৈ (ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(a) হোৱা নাই।

(b) 'ক' প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

(c) পুঁজিৰ অভাৱ।

ডাঃ অৰ্ধেন্দু কুমাৰ দে : মহোদয়, মন্ত্ৰী মহোদয়ের উত্তরে জানতে পারলাম যে হোজাই ষ্টেডিয়ামের জন্য কোন টাকা মঞ্জুর করা হয়নি। যদি আসামের অন্যান্য অঞ্চলে ষ্টেডিয়ামের জন্য ১৯৮৬-৮৭ ইং বছরের ভিতর কোনও টাকা মঞ্জুর করা না হতো তাহলে আমার কিছু বলারছিল না। কিন্তু যদি অন্যান্য অঞ্চলে তা করা হয়ে থাকে তাহলে হোজাই সাব-ডিভিশনের জন্য পুঁজির অভাব কেন হলো মন্ত্ৰী মহোদয় তা দয়া করে জানাবেন কি ?

শ্ৰীপ্ৰবীন কুমাৰ গগৈ (মন্ত্ৰী) : আপোনালোকে জানে যে, স্পোৰ্টচ বিভাগৰ বাজেট অতি কম। এই বাৰ বাজেট কিছু বঢ়াই দিয়া হৈছে। গতিকে এই বাৰ বিবেচনা কৰিম।

বিষয় : গমিৰিত খহনীয়াত ক্ষতিগ্ৰস্থ পৰিয়াল

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে :

মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

*৭৩. (ক) শোনিতপুৰ জিলাৰ গমিৰি অঞ্চলত এতিয়ালৈকে গড়াখহনীয়াত কিমান পৰিয়াল গৃহহীন হৈছে আৰু কিমান মাটি নষ্ট কৰিছে ?

(খ) গৃহহীন হোৱা পৰিয়াল বিলাকক সংস্থাপনৰ কিবা ব্যৱস্থা লোৱা হৈছে নেকি ?

(গ) গড়াখহনীয়া বন্ধ কৰিবৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীছামসিং হাঞ্চে (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ।

(ক) কিমান পৰিয়াল গৃহহীন হৈছে, এই তথ্য এই বিভাগত নাই । ক্ষতিগ্ৰস্থ মাটিৰ পৰিমান আনুমানিক ৭৩৪ হেক্টৰ হব ।

(খ) এই তথ্য এই বিভাগৰ হাতত নাই ।

(গ) আগন্তুক কাৰিকৰী উপদেষ্টা সমিতিত উত্থাপন কৰিবৰ বাবে ১৪,৬৯,৬২,০০০·০০ টকাৰ এখন আঁচনি প্ৰস্তুত কৰি থকা হৈছে ।

শ্ৰীগোলোক ৰাজবংশী : যিহেতুকে যুটীয়া দায়িত্ব আছে তেখেতে গড়াখহনীয়া, ঘৰ ভঙা চাই আহি ৰাজহ বিভাগত ৰেফাৰেঞ্চ কৰিছিল নে নাই ?

শ্ৰীছামসিং হাঞ্চে (মন্ত্ৰী) : আচলতে এনে ধৰণৰ হিচাব ৰাজহ বিভাগত কৰা হয় কাৰণে উত্তৰ দিয়া প্ৰয়োজন বোধ কৰা নাই । প্ৰশ্নটো সম্পূৰ্ণ ৰাজহ বিভাগৰ লগত জড়িত ।

শ্ৰীগোলোক ৰাজবংশী : যিটো বিপদ দেখিছিল সেইটো ৰেফাৰেঞ্চ কৰিছিল নে নাই ?

শ্ৰীছামসিং হাঞ্চে (মন্ত্ৰী) : কৰা হৈছিল ।

Re : Erosion at Digirpar and other areas.

Shri Sheikh Abdul Hamid asked :

Will the Minister, Flood Control be pleased to state :

*74 (a) Is it a fact that erosion at a heavy rate is going at Garala, Digirpar, Moinbari and Tarakandi of Mandia Development. Block under Barpeta District ?

(b) Is it a fact that the said erosion will cause great to the Bahari to Baghbar E & D ?

(c) If so, whether Government has taken any scheme to protect the E & D.

Shri Samsing Hanse (Minister, Flood Control) replied :

(ক) হয় ।

(খ) হয় ।

(গ) পুঁজিৰ অভাৱৰ হেতুকে বৰ্ত্তমানে কোনো আঁচনি হাতত লোৱা নাই ।

Shri Sheikh Abdul Hamid : Will the Honourable Minister inform the House as to how many bighas of cultivable land has already been eroded and whether immediate action will be taken for protection thereof ?

শ্ৰীছামসিং হাঞ্চে (মন্ত্ৰী) : কিমান মাটি গড়াখহনীয়াত গ'ল সেইটো হিচাব বাননিয়ন্ত্ৰন বিভাগে নাৰাখে, তথাপি সময় সাপেক্ষে টকা পইচা হলে সেই খিনি কাৰ্য্যসূচী হাতত লোৱা হব ।

বিষয় : বান নিয়ন্ত্ৰণ বিভাগৰ কাৰিকৰী বিষয়াৰ সংখ্যা ।

শ্ৰীজয় নাথ শৰ্মায়ে সুধিছে :

মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

*৭৫' (ক) বান নিয়ন্ত্ৰণ বিভাগৰ সৰ্বমুঠ কিমানজন কাৰিকৰী বিষয়া আছে ?

(খ) প্ৰতি গৰাকী বিষয়াৰ নিজৰ নামত বা তেওঁৰ পৰিয়ালৰ কাৰোবাৰ নামত ব্যক্তিগত সম্পত্তিৰ তালিকা বা তেনে কিবা তথ্য চৰকাৰৰ হাতত আছেনে ?

(গ) এই কথা চৰকাৰে জানেনে যে এই বিভাগৰ বহুত বিষয়াৰ বাৰ্ষিক আয়ৰ তুলনাত তেওঁলোকৰ ব্যক্তিগত সম্পত্তিৰ মূল্যৰ পাৰ্থক্য আছে ?

(ঘ) চৰকাৰৰ বিষয়া সকলৰ পৰিয়ালৰ নাম থকা সম্পত্তিৰ তথ্য সংগ্ৰহ কৰিবলৈ চৰকাৰে ব্যৱস্থা লব নোৱাৰেনে ?

শ্ৰীছামসিং হাঞ্চে (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ।

(ক) বান নিয়ন্ত্ৰণ বিভাগত বৰ্তমান সৰ্বমুঠ কাৰিকৰী বিষয়া ১,০৫৬ জন আছে।

(খ) হয়, আছে ।

(গ) অসম জনসেৱা আচৰণ বিধি, ১৯৬৫ (The Assam Civil Services Conduct Rules, 1965) ৰ ১১ নং দফা অনুসৰি প্ৰতিজন বিষয়াই প্ৰথম চাকৰিত নিযুক্তি পোৱাৰ লগে লগে তেওঁৰ সম্পত্তি আৰু দেনাৰ প্ৰবিৱৰণ চৰকাৰৰ ওচৰত দাখিল কৰিব লাগে । এই সন্দৰ্ভত অসম চৰকাৰৰ চাৰ্কুলাৰ নং চি ৭০ ৫৪ ৩৫ তাৰিখ ১৭।২।৫৬ অনুসৰি প্ৰতিজন বিষয়াই প্ৰতি বছৰৰ জানুৱাৰী মাহত তেওঁলোকৰ নিজৰ আৰু পৰিয়ালৰ নামত থকা সম্পত্তি আৰু দেনাৰ প্ৰবিৱৰণ নিৰ্দ্ধাৰিত প্ৰপত্ৰত দাখিল কৰাটো বাধ্যতামূলক । অন্যথাই তেওঁলোকৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা লোৱাৰ নিয়ম আছে ।

যিহেতু প্ৰবিৱৰণ পত্ৰ সমূহ ৰাজপত্ৰিত বিষয়াৰ ক্ষেত্ৰত পোনে পোনে মুখ্য সচিবক আৰু অৰাজপত্ৰিত বিষয়াৰ ক্ষেত্ৰত নিয়োগকাৰী বিষয়াৰ ওচৰত চিলমোহৰ মৰা খামৰ ভিতৰত দাখিল কৰাটোৱেই নিয়ম ; গতিকে সেই প্ৰবিৱৰণ পত্ৰবোৰৰ উত্তৰ খুলি পৰীক্ষা কৰি নোচোৱালৈকে কোনো বিষয়াৰ আয় আৰু সম্পত্তিৰ পৰিমাণৰ উমান পোৱা নাযায় । কোনো বিষয়াৰ ক্ষেত্ৰত অভিযোগ আহিলেহে তেওঁৰ প্ৰবিৱৰণ পত্ৰবোৰ কতৃত্বপ্ৰাপ্ত বিষয়াৰ দ্বাৰা খোলাই অভিযোগৰ সত্যাসত্য নিৰূপন কৰা হয় আৰু অভিযোগৰ সত্যতা প্ৰমাণ হলে সেই বিষয়াজনৰ বিৰুদ্ধে বিভাগীয় বিচাৰ ৰুজু কৰা হয় ।

(ঘ) বিষয়া সকলৰ সম্পত্তি আৰু দেনাৰ বাৰ্ষিক প্ৰবিৱৰণত তেওঁলোকৰ পৰিয়ালৰ নামত থকা সম্পত্তিৰ তথ্যও সন্নিবিষ্ট থাকে ।

শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে দিয়া উত্তৰত এটা 'কনফিউশ্যন' ওলাইছে । আচৰণ বিধি ১৯৬৫ চনতে কৰা হৈছে । আৰু ১৭।২ ৫৬ তাৰিখে আচৰণ বিধিৰ অন্তৰ্গত বিধি অনুসৰি চাৰ্কুলাৰ দিয়া হৈছিল । দ্বিতীয়তে, এইটো কোনেও নুই কৰিব নোৱাৰে যে, এজন ৰাজপত্ৰিত বিষয়াৰ ইনকাম আৰু এচেষ্ট এন্দ লায়েবিলিটিজ যেতিয়া বেছি হয়, তেতিয়া কিয় এইটো মুখ্য সচিবৰ পৰ্য্যায়ত যাব লাগে ? বিভাগে চালি জাৰি চোৱাৰ ব্যৱস্থা কিয় কৰিব নোৱাৰে ?

শ্ৰীছামসিং হাঞ্চে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, যি কোনো বিষয়াৰ ওপৰত অভিযোগ থাকিলে, এই অভিযোগ প্ৰমাণ কৰিবলৈ চৰকাৰৰ কৰ্ত্তৃত্বশীল ব্যক্তিৰ দ্বাৰা কৰিব লাগে।

শ্ৰীজয় নাথ শৰ্মা : অধ্যক্ষ মহোদয়, ১৭।২।৫৬ তাৰিখেই চাকুৰ্লাৰ খন দিয়া হৈছে। এই প্ৰশ্নৰ লগত অন্য এটাও প্ৰশ্ন সুধিব বিচাৰিছো বান নিয়ন্ত্ৰন বিভাগৰ বিষয়া সকলৰ যাৰ যিমান সা-সম্পত্তি আছে সেই সকলোবিলাক ৰাজহুৱা ভাবে এপ্ৰিল মাহতে প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীছামসিং হাঞ্চে (মন্ত্ৰী) : অধ্যক্ষ মহোদয়. যি কোনো বিষয়াৰ সা সম্পত্তি হিচাব কৰাৰ ক্ষেত্ৰত বাননিয়ন্ত্ৰন বিভাগতে সীমাবদ্ধ নহয়। অসমৰ সকলো বিষয়াৰ ক্ষেত্ৰত যি ব্যৱস্থা প্ৰযোজ্য, বান নিয়ন্ত্ৰন বিভাগৰো একে ব্যৱস্থা। দ্বিতীয় প্ৰশ্নৰ ক্ষেত্ৰত বিবেচনা কৰিব পৰা হব।

Re. Electrification of Villages under Badarpur.

Shri Altaf Hussain Mazumdar asked:

Will the Minister, Power be pleased to State:

*76 (a) Whether it is a fact, that the Government in reply to unstarred question No. 3 of 19th December, 1986 informed the questioner that the village of Badarpur under Tarapur, G. P. of Borkhola constituency has been electrified ?

(b) Whether the Government is aware that in reality only few posts have been fixed and almost the entire village has not yet been covered ?

(c) Will the Government direct the division concerned to complete the electrification of Badarpur early ?

Shri Lalit Chandra Rajkhowa (Minister of Power) replied :

(a) Yes.

(b) Yes.

(c) Yes, it will be done as required by the Load Demand.

Shri Altaf Hussain Mazumdar : Sir, the Honourable Minister has replied that it has been electrified. But I have gone to the place and seen myself that it has not been electrified. Will he give a correct information ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, পাৰ্চ্ছ ॥ ভিলেজত বিজুলী সৰবৰাহৰ ব্যৱস্থা কৰা হৈছে আৰু এহা মাৰ্চ মাহৰ ভিতৰত এইটো সম্পূৰ্ণ হব।

Shri Altaf Hussain Mazumdar : Mr. Speaker Sir, it is a serious matter. Sir, I have gone to that place and have seen that it is not electrified. The Minister does not know. Some officers has given him wrong information. On the basis of these wrong informations Minister has given his replies. What has happened, the officers have avoided their responsibilities. In the last Assembly also the Minister has given the same wrong information. The Minister may not know the position. But the officers are pushing the Minister to the domain of Privilege. If this is the reply of the Minister, I have no alternative but to bring a Privilege Motion against the Minister. The information is absolutely incorrect. The wrong information given to the Minister should be rectified. Will the Minister ask for correct information from the officers ? Even the preliminary works have not been completed there.

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই ভাবো যে, বিষয়াই ভুলকৈ এটা ৰিপোৰ্ট দিব নোৱাৰে। আৰু যদি ভুল হৈছে তেনেহলে ইয়াৰ ব্যৱস্থা লোৱা হব। আমাৰ উদ্দেশ্য হৈছে যে, আমাৰ অসমৰ প্ৰতিখন গাৱঁলৈ বিজুলী বাতি সৰবৰাহ কৰাৰ দায়িত্ব আমাৰ আছে।

অধ্যক্ষ মহোদয়, মই এই কথাটো এই কাৰণেই কৈছো যে, যোৱা বাৰৰ মোৰ অভিজ্ঞতা আছে, সদনৰ এজন সদস্যই চেলেঞ্জ কৰিছিল আৰু তদন্ত কৰাৰ

পিচ দিনা তথ্যপাতি আনি দিয়াৰ পিচতো চেলেঞ্জ কৰিছিল । ফলত এটা তদন্ত কমিটী পাতি দিয়া হল, সেই তদন্ত কমিটীৰ ৰিপোৰ্ট মতে মোৰ উত্তৰ একেই হৈছিল । ইয়াৰ ওপৰত নিৰ্ভৰ কৰি মই এই কথাটো উত্থাপন কৰিছো । যদি কামতো হোৱা নাই তেনেহলে ব্যৱস্থা গ্ৰহণ কৰা হব । বিষয়টো পৰীক্ষা কৰি চোৱা হব ।

বিষয় : মাটিৰ ক্ষতি পূৰণ

শ্ৰীগুণীন হাজৰিকা য়ে সুধিছে :

মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

*৭৭ (ক) কিয় আৰু কি কাৰণে কলিয়াবৰ উত্তোলিত জলসিঞ্চন আঁচনিৰ মাটিৰ ক্ষতিপূৰণ এতিয়ালৈকে দিয়া হোৱা নাই আৰু মুঠতে কিমান মাটিৰ, কোন কোন ৰাজহ গাৱঁত ক্ষতিপূৰণ দিবলৈ আছে ?

(খ) কলিয়াবৰ উত্তোলিত জলসিঞ্চনৰ বাবে

১। অধিগ্ৰহণ কৰা মাটিৰ কালি আৰু ক্ষতিপূৰণৰ পৰিমান ?

২। ১৯৮৬ চনলৈকে এই আঁচনিত খৰচ হোৱা টকাৰ পৰিমান ? (বিভিন্ন শিতানত)

৩। প্ৰাক্কলনত এই আঁচনিত কিমান টকা ধৰা হৈছিল ?

(গ) এই আঁচনিৰ কাম মূল খাল সমূহৰ কাম কোন চনত ব্যৱহাৰৰ উপযোগীকৈ হৈ উঠাৰ সম্ভাৱনা আছে ?

শ্ৰীপবিন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কলিয়াবৰ জলসিঞ্চন আঁচনিৰ অন্তৰ্গত গাওঁ বিলাকৰ অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ ইতিমধ্যে নগাঁৱৰ উপায়ুক্তৰ নামত দিয়া হৈছে ।

(খ) ১। অধিগ্ৰহণ কৰা মাটিৰ পৰিমান হ'ল ৩,৮২২ বিঘা ৩ কঠা ১৩ লেছা আৰু ক্ষতিপূৰণৰ টকা হ'ল ৪৩,৩৮,৪২৪·২৯ টকা ইতিমধ্যে ৪২,৭৭,৫৬৮·৪৩ টকা উপায়ুক্ত নগাঁওৰ নামত জমা দিয়া হ'ল ।

২। এই আঁচনিত ১৯৮৬ চনলৈকে বিভিন্ন শিতানত হোৱা খৰছৰ হিচাব লগত গাঠি দিয়া সহ পত্ৰত দেখুৱা হল । (See Annexure II)

৩. ১৯৭১ চনত কলিয়াবৰ জলসিঞ্চন আঁচনিত মুঠ ১৪১.০০ লাখ টকা ধাৰ্য্য কৰি প্ৰশাসনীয় অনুমোদন দিয়া হৈছিল। পাছত ১৯০৫ চনত ৩১১.০০ লাখ টকাৰ সংশোধিত প্ৰশাসনীয় অনুমোদন দিয়া হৈছিল। ১৯৮৫ চনত পুনৰ ৮৫১.১২ লাখ টকাৰ সংশোধিত প্ৰাক্কলন কেন্দ্ৰীয় জল আয়োগৰ যোগেদি পৰিকল্পনা আয়োগলৈ অনুমোদনৰ বাবে পঠোৱা হৈছে। পৰিকল্পনা আয়োগে ৰাজ্যিক বন বিভাগৰ অনুমতি হলে অনুমোদন দিবলৈ সন্মতি প্ৰকাশ কৰিছে।

(গ) কলিয়াবৰ উত্তোলিত জলসিঞ্চন আঁচনিৰ সন্মুখ ভাগৰ নলা সমূহত ১৯৭৯ চনৰ পৰা পানী যোগান ধৰা হৈছে। ইয়াক ক্ৰমে প্ৰসাৰিত কৰি ১৯৮৮-৮৯ চনত আঁচনিৰ সকলো নলাতে পানী যোগান ধৰা সম্পূৰ্ণ কৰিবলৈ লক্ষ্য স্থিৰ কৰা হৈছে।

শ্ৰীগুণীন হাজৰীকা : অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, তেখেতে ক্ষতিপূৰণৰ টকা উপাযুক্তক দিয়া হৈছে বুলি জনাইছে। আজি কেইদিনমানৰ আগতে ৰাজহ বিভাগৰ এটা প্ৰশ্নৰ উত্তৰত ৰাজহ বিভাগৰ পৰা জনাইছে যে, কেইবাটাও গোচৰত টকা এতিয়াও জলসিঞ্চন বিভাগৰ হাতত আছে। গতিকে ১৫ বছৰে ক্ষতিপূৰণ নোপোৱাৰ ফলত অসুবিধা হৈছে। ইয়াৰ ব্যৱস্থা সোনকালে কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপবিন্দ্ৰ ডেকা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আচলতে মাটি অধিগ্ৰহণ কৰে ৰাজহ বিভাগে। ৰাজহ বিভাগে অধিগ্ৰহন কৰি ভূমি নিৰ্দ্ধাৰণ কৰে জলসিঞ্চন বিভাগে। জলসিঞ্চন বিভাগে নিৰ্দ্ধাৰিত দাম ৰাজহ বিভাগক দিয়ে আৰু ৰাজহ বিভাগে সেই টকা ক্ষতিপুৰণ হিচাবে ৰাইজক দিয়ে। মাননীয় সদস্যই যিটো কথা কৈছে যে, টকা দিয়া হোৱা নাই কিন্তু ২/১ টা গোচৰৰ ক্ষেত্ৰত পট্টাদাৰ কিছুমানে ক্ষতিপূৰণ নিয়া নাই। তাৰ ভিতৰত ২/১ জনে নিছে।

Shri Charan Narzary : Mr. Speaker Sir, lands have been acquired for irrigation purpose for implementation of its schemes. Most of the people do not have much land. Even then, they have to sacrifice their lands, for the larger interest. The schemes are for irrigating cultivable lands

and when as a result of acquisition of their lands many of them have become landless and they do not find any land to irrigate. On the other hand, the procedure of payment of compensation is so complicated and langthy that it becomes impossible for the pattadars to get compensation even after expiry of many years and many of the pattadars have to run to the Courts of Law also. So, they are very much aggrieved because they are very badly affected by acquisition of their land. Therefore, will the Minister consider to shorten and simplify the procedure for making quick payment of compensation to the pattadars? I have raised this question because there are lots of public grievances on this point.

Shri Pabindra Deka (Minister, Irrigation) : Sir, Government is very much aware of this problem. Government is trying to simplify the procedure of payment.

Shri Ganesh Kutum : Sir, we find most of the questions relate to two or three departments. Most of the questions are not replied. Will the Honourable Speaker arrange a system to get the information from the related departments ?

Mr. Speaker : This is the system.

Shri Altaf Hussain Mazumdar : Sir, we find the unstarred questions are not replied stating that they are collecting the information. It is not an answer. Now, the concerned Ministers should be directed to give these answer after collecting the information.

Mr. Speaker : Answers will have to be given.

বিষয় : সোৱনশিৰি নদীৰ গড়াখহনীয়া

শ্ৰীকেশ ৰাম বৰা য়ে সুধিছে :

মাননীয় বাননিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

*৭৮। (ক) বিহপুৰীয়া বিধান সভা সমষ্টিৰ অন্তৰ্গত বদতি ঘাটৰ সোৱনশিৰি নদীৰ প্ৰবল গড়াখহনীয়াৰ ফলত এটা বৃহৎ অঞ্চল যে নিচিহ্ন হৈ গৈছে সেই বিষয়ে চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে এই বৃহৎ অঞ্চলটোৰ ৰাইজক চৰকাৰে গড়াখহনীয়াৰ পৰা ৰক্ষা কৰাৰ বাবে কি প্ৰতিৰোধৰ ব্যৱস্থা লৈছে ?

শ্ৰীছামসিং হাঞ্চে (বাননিয়ন্ত্ৰন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, জানে ।

(খ) কেন্দ্ৰীয় চৰকাৰে অনুমোদন আৰু বিত্তীয় অনুদান সাপেক্ষে আঁচনি কাৰ্য্যকৰী কৰা হব।

বিষয় : গুৱাগাছা মৰাপাট কল

শ্ৰীকুমাৰ দীপক দাসয়ে সুধিছে :

মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

*৭৯। (ক) গুৱাগাছাৰ মৰাপাট কল সমবায় সমিতিখন কি অৱস্থাত আছে ?

(খ) সমিতিখনৰ বৰ্তমান হিচাব নিকাচ কেনে ধৰনৰ ? (লাভ লোকচানৰ খতিয়ান)

(গ) এই সমিতিৰ নামত গাড়ী আদি আছে নেকি ?

(ঘ) যদি আছে, কত আছে আৰু কেনে অৱস্থাত আছে ?

(ঙ) এই সমিতিখন পুনৰ গঠন কৰি দিয়াৰ সিদ্ধান্ত চৰকাৰৰ আছে নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সমিতিখন বৰ্তমানে অচল অৱস্থাত আছে ।

(খ) সমিতিখনৰ বৰ্তমানলৈ ৰখা বহী পত্ৰ মতে হিচাব ঠিকেই পোৱা গৈছে । আৰু ১৯৮৫-৮৬ চনলৈ বিভাগীয় অডিট কৰি উদ্বৃত্ত পত্ৰ (Balance Sheet) প্ৰস্তুত কৰা হৈছে (প্ৰতিলিপি সদনৰ মজিয়াত ৰখা হ'ল)

(See Annexure III)

(গ) হয় আছে।

(ঘ) গাড়ীখন সম্পাদক আব্দুল কায়েমৰ দায়িত্বত অচল অৱস্থাত মটৰ কাৰখানাত পৰি আছে।

(ঙ) সদ্যহতে তেনে কোনো প্ৰস্তাৱ চৰকাৰৰ হাতত নাই।

শ্ৰীকুমাৰ দীপক দাস : অধ্যক্ষ মহোদয়, এই গুৱাগাছা সমবায় সমিতিখন পুনৰ নতুনকৈ গঠন কৰি দি তাত যিখিনি টকা পইছা বা সা-সম্পত্তিৰ হিচাৱ সঠিক কৰি লোৱাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিব নে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় মন্ত্ৰী) : ধন্যবাদ। তেনে ব্যৱস্থা লোৱা হব।

বিষয় : মালিবাড়ী বজাৰৰ প্ৰতিৰক্ষা।

শ্ৰীগোপী নাথ দাস য়ে সুধিছে :

*৮০। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কামৰূপ জিলাৰ অন্তৰ্গত নতুন মালিবাড়ী বজাৰ প্ৰটেক্‌চনৰ বাবে চৰকাৰে কিমান টকা মঞ্জুৰী দিছে জনাবনে ?

(খ) উক্ত প্ৰটেক্‌চনৰ কাম কেতিয়াৰ পৰা আৰম্ভ হব জনাবনে ?

শ্ৰীছামসিং হাঞ্চে, (বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কোনো মঞ্জুৰী দিয়া হোৱা নাই।

(খ) কেন্দ্ৰীয় চৰকাৰৰ মঞ্জুৰী আৰু বিত্তীয় যোগান সাপেক্ষে কাম আৰম্ভ কৰিব পৰা যাব।

শ্ৰীগোপী নাথ দাস : এই মালিবাড়ী বজাৰ প্ৰতিৰক্ষাৰ কাৰণে চৰকাৰে মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীছামসিং হাঞ্চে (বান নিয়ন্ত্ৰন মন্ত্ৰী) : এই আচনিটো জনজাতি উপ আঁচনিত দিয়া হৈছে আৰু কাৰিকৰী উপদেষ্টা সমিতিয়ে ২৬.৯৮ লাখ টকাৰ মঞ্জুৰীৰ অনুমোদন জনাইছে আৰু সেই আঁচনি আমি কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াইছো।

UNSTARRED QUESTIONS & ANSWERS

বিষয় : কুশল কোঁৱৰ সুতা কল

শ্ৰীদেবেশ্বৰ বৰা য়ে সুধিছে :

৭৯। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোলাঘাট মহকুমাৰ শ্বহীদ কুশল কোঁৱৰ সুতা কলৰ কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব ?

(খ) এই মিলৰ বাবে কিমান টকাৰ যন্ত্ৰপাতি কিনিলে ?

(গ) যন্ত্ৰপাতিবোৰ কোন কোম্পানীৰ পৰা কিনা হৈছিল ?

(ঘ) ১৯৮৩-৮৫ চনলৈকে আৰু ১৯৮৫-৮৭ চনলৈকে কিমান অংশীদাৰ কৰিবলৈ সক্ষম হৈছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) শ্বহীদ কুশল কোঁৱৰ সমবায় সুতাকল লিমিটেড্‌ৰ বাণিজ্যিক উৎপাদন (Commercial Production) সংশোধিত প্ৰকল্প প্ৰতিবেদন মতে ১৯৮৮ চনৰ জুলাই মাহৰ পৰা আৰম্ভ হ'ব লাগে।

(খ) সুতা কলৰ বাবে যন্ত্ৰ পাতি ক্ৰয় কৰাৰ উদ্দেশ্যে প্ৰতিস্থানৰ লগত চুক্তি সম্পাদন কৰা হৈছে আৰু স্বাক্ষৰিত চুক্তি অনুযায়ী ১৬,৬৬,২১২.০০ টকা যন্ত্ৰ পাতিৰ বাবে আগধন দিয়া হৈছে।

(গ) সুতা কলৰ বাবে যন্ত্ৰ-পাতি বোম্বাইৰ মফত্‌লাল ইঞ্জিনীয়াৰিং ইণ্ডাষ্ট্ৰীজ লিমিটেড্‌ৰ পৰা কিনিবৰ বাবে চুক্তি বদ্ধ হৈছে।

(ঘ) ১৯৮৩-৮৫ চনলৈকে মুঠ ৩,৩৮৩ জন ব্যক্তিগত আৰু ৪২৬ খন সমবায় সমিতি অংশীদাৰ ভূক্ত কৰা হৈছে। ১৯৮৫-৮৭ চনৰ বৰ্তমানলৈকে মুঠ ৫,৫৮৬ জন ব্যক্তিগত আৰু ৪৬১ খন সমবায় সমিতি অংশীদাৰ ভূক্ত কৰা হৈছে।

বিষয় : জলসিঞ্চন বিভাগত নিযুক্তি।

শ্ৰীভবেন নাৰ্জীয়ে সুধিছে :

৮০। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

তামুলপুৰৰ জলসিঞ্চনৰ জিলা আৰু মহকুমা অফিচত তামুলপুৰৰ কিমান জন যুৱকক চাকৰিত নিযুক্তি দিয়া হ'ল ?

শ্ৰীপবিন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

তামুলপুৰ জিলা আৰু মহকুমা পৰ্য্যায়ৰ জলসিঞ্চন সংমণ্ডল আৰু উপ-সংমণ্ডল কাৰ্য্যালয়ৰ নতুনকৈ মঞ্জুৰীকৃত পদ সমুহত এতিয়ালৈকে কোনো ব্যক্তিক নতুনকৈ নিযুক্তি দিয়া হোৱা নাই।

Re : Number of Electrical Sub-Divisions.

Shri Manilal Gowala asked :

Will the Minister, power be pleased to state.

81. (a) The number of Electrical Sub-Divisions in Assam without having any vehicle ?

(b) Whether it is a fact that Patharkandi Electrical (Maintenance) Sub-Division under Karimganj district has to servé two Assembly constituencies viz-Patharkandi and Ratabari ?

(c) If so, whether the Government propose to provide it with a good vehicle for smooth service which is not available at present ?

(d) If so, by when ?

Shri Lalit Chandra Rajkhowa (Minister power) replied:

(a) 10 (Ten).

(b) Patharkandi Electrical Sub-Division has to look after maintenance of Patharkandi constituency and partly Ratabari constituency.

(c) Assam State Electricity Bcard is progressively providing vehicles to all its Sub-Divisions which are without any vehicle according to the availability of fund.

(d) Reply is at 'C'.

বিষয় : শদিয়াত পৰিবহন নিগমৰ বাছ

শ্ৰীমতী জ্যোৎস্না সোনোৱাল, য়ে সুধিছে :

৮২। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

শদিয়া মহকুমাত চলাচল কৰা পৰিবহন নিগমৰ বাছৰ সংখ্যা কিমান আৰু কিমান কিলোমিটাৰ পথত বাছবোৰ চলাচল কৰে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

শদিয়া মহকুমাত চলাচল কৰা পৰিবহন নিগমৰ বাচৰ সংখ্যা ৩ (তিনি) খন আৰু এই বাছ কেইখনে নিতৌ ৪৪৮ কিলোমিটাৰ পথত চলাচল কৰে।

বিষয় ঃ চাচনী আৰু টিপাম জলসিঞ্চন আঁচনি

শ্ৰীকুসুম্বৰ টাইৰা য়ে সুধিছে :

মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে :

৮৩ (ক) নাহৰকটীয়া সমষ্টিত বৰ্তমান কেইটা জলসিঞ্চন আঁচনি সম্পূৰ্ণ হ'ল ?

(খ) আজিৰ পৰা প্ৰায় ১০ বছৰ পূৰ্ব্বেই চাচনী আৰু টিপাম জলসিঞ্চন আঁচনিৰ কাম সম্পূৰ্ণ হোৱা স্বত্বেও কিয় খেতি পথাৰত পানী যোগান ধৰাৰ ব্যৱস্থা কৰা হোৱা নাই ?

(গ) এই দুয়োটা আঁচনিৰ অধীনত কিমান চাকৰিয়ালে চাকৰি কৰে জনাবনে ?

(ঘ) এই আঁচনি দুটা সক্ষম ও কাৰ্য্যকৰী কৰি তুলিবলৈ অতি সোনকালে ব্যৱস্থা গ্ৰহন কৰিবনে ?

(ঙ) নাহৰকটীয়া চহৰৰ কাষত নিৰ্মান কৰা জলসিঞ্চন বিভাগৰ শাখা কাৰ্য্যালয়ৰ গৃহ নিৰ্মানৰ কাম কিয় বন্ধ কৰি ৰখা হ'ল মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীপবিন্দ্ৰ ডেকা (জলসিঞ্চন মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) নাহৰকটীয়া সমষ্টিত বৰ্তমানলৈকে দুটা জলসিঞ্চন আঁচনি সম্পূৰ্ণ হৈছে।

(খ) চাচনী আৰু টিপলিং জলসিঞ্চন আঁচনি দুটাৰ ক্ষেত্ৰত কিছুমান আসোঁৱাহৰ কাৰণে আংশিক ভাৱেহে পানী যোগান ধৰি থকা হৈছে।

(গ) চাচনী জলসিঞ্চন আঁচনিৰ অধীনত ৪জন আৰু টিপলিং জলসিঞ্চন আঁচনিৰ অধীনত ৪জন লোকে চাকৰি কৰে।

(ঘ) এই আঁচনি দুটা সম্পূৰ্ণ সক্ষম কৰি তুলিবলৈ বৰ্তমানে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(ঙ) বন্ধ কৰা হোৱা নাই।

'(The replies and the Unstarred Question No. 84 was not laid on the Table)"

Re : Electrification in Sorbhog

Shri Hemen Das asked :

85. Will the Minister, Power be pleased to state :

Whether villages Datara, Damuguda, Bogidara, Suliakata and Kumuria in Sorbhog Constituency have electrified ?

Shri Lalit Chandra Rajkhowa (Minister of Power) replied :

Villages Datara and Kumuria have been electrified. Village Bagidara will be electrified hance it is not in 1987-88. Village Damugada, is not a census village and included under R. E. Scheme. Village Suliakata not being a census village has not been electrified, but village Chutiahat has been electrified.

বিষয় : জপেয়া পঞ্চায়ত এলেকাত বিজুলী যোগান

শ্ৰীমকবুল হুচেইনয়ে সুধিছে :

মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

৮৬ (ক) উত্তৰ শালমৰা মহকুমাৰ অন্তৰ্গত জপেয়া পঞ্চায়তৰ কেইবাখনো গাওঁত বহুত দিন আগতেই বিজুলী যোগান দিয়াৰ বাবে বঙ্গাইগাওঁ বিজুলী বিভাগীয় কৰ্তৃপক্ষই যাৱতীয় কাম কৰা সত্বেও আজি উক্ত গাওঁ সমূহত বিজুলী যোগান দিয়া হোৱা নাই ইয়াৰ কাৰণ কি ?

(খ) অতি সোনকালে উক্ত পঞ্চায়তৰ উক্ত গাওঁ সমূহলৈ বিজুলী যোগান দিয়াৰ ব্যৱস্থা লব নে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (শক্তি, বিদ্যুৎ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) জপেয়া পঞ্চায়তৰ কেইবাখনো গাওঁক সংযোগ কৰি টনা ১১ কেঃ ভিঃ লাইনটো বানপানীত বিচ্ছিন্ন হৈ যোৱাৰ বাবে বিজুলী সংযোগত বাধা পৰে ।

(খ) হয়, লোৱা হব ।

বিষয় ঃ গোৱালপাৰা জিলা পাইকাৰী গ্ৰাহক সমবায় সমিতি।

শ্ৰীমফিৰুদ্দিন আহমেদয়ে সুধিছে :

মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

৮৭। (ক) গোৱালপাৰা জিলা পাইকাৰী গ্ৰাহক সমবায় সমিতিৰ বৃহৎ আকাৰৰ তহবিল আৰু হিচাপ নিকাচৰ নানা প্ৰকাৰৰ খেলি মেলিৰ বিষয়ৰ উল্লেখ কৰি গোৱালপাৰা পুব সমষ্টিৰ বিধায়কে ১০/৩/৮৬ তাৰিখে এখন লিখিত অভিযোগ অসমৰ কো: অপাৰেটিভ চচাইটিজৰ ৰেজিষ্টাৰ গুৱাহাটীলৈ আৰু তাৰ নকল অসমৰ কো:অপাৰেটিভ চচাইটিলৈ পঠোৱা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, এই সম্বন্ধে তদন্ত হৈছেনে আৰু যদি হৈছে তাৰ ফলাফল কি ?

(গ) যদি হোৱা নাই, এই বিষয়ে চাৰটাৰ্ড একাউনটেন্টৰ দ্বাৰা পৰীক্ষা কৰোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ।

(ক) হয় ।

(খ) তদন্ত হৈছে আৰু তদন্তৰ প্ৰতিবেদন অনুযায়ী বিহিত ব্যৱস্থা লোৱা হৈছে ।

(গ) প্ৰশ্ন নুঠে ।

বিষয় ঃ করিমগঞ্জ জেলায় সেচের জমি

শ্রীরামেন্দ্র দেইয়ে সুধিছে ঃ

মাননীয় জলসিঞ্চন বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ?

৮৮। (ক) করিমগঞ্জ জেলায় শতকরা কত ভাগ জমি সেচের আওতা ভুক্ত হয়েছে ?

(খ) বদরপুর উন্নয়ন খণ্ডে কতটা জমি কোন গাওঁ পঞ্চায়তে সেচের আওতা ভুক্ত হয়েছে ?

(গ) বর্তমানে বদরপুর উন্নয়ন খণ্ডে আর কোন সেচ প্রকল্প রূপায়ণের কাজ চরকারের আছে কি ? যদি থাকে সে প্রকল্পগুলি কি ?

(ঘ) তা নির্মাণের কাজ কোন সালে আরম্ভ হবে ?

(ঙ) দীর্ঘদিন আরম্ভ না হওয়ার কারণ কি ?

শ্ৰীপবিন্দ্ৰ ডেকা (জলসিঞ্চন মন্ত্ৰী) য়ে উত্তৰ দিছে ।

(ক) ৪.৬২ শতাংশ ।

(খ) উত্তৰ-পূব্ৰ বদৰপুৰ গাওঁ পঞ্চায়তত ১৫০ হেক্টৰ, দক্ষিণ পশ্চিম বদৰপুৰ গাওঁ পঞ্চায়তত ২০০ হেক্টৰ পূব্ৰ বদৰপুৰ গাওঁ পঞ্চায়তত ৯৬ হেক্টৰ।

(গ) ১৯৮৬-৮৭ চনত (বিভাগীয় কমিটী গৃহীত) ১। মুচিবাৰি ঘাট গভীৰ নলী-নাদ আঁচনি (ভাঙ্গাৰ ওচৰত) ২। আনাইৰ হাওৰ গভীৰ নলী-নাদ আঁচনি ।

(ঘ) প্ৰস্তাৱিত আঁচনিৰ কাম প্ৰশাসনীয় অনুমোদন, কাৰিকৰী হোৱাৰ পাচত অহা বছৰ আৰম্ভ কৰাৰ আশা আছে ।

(ঙ) ১৯৮৬ ৮৭ চনত অনুমোদিত হোৱা 'খ'ত উল্লেখিত আঁচনি কেইখন প্ৰশাসনীয় অনুমোদনৰ পাচত জৰীপ অনুসন্ধান আৰু কাৰিকৰী মঞ্জুৰী হলেহে কাম আৰম্ভ কৰিব পৰা যাব ।

বিষয় : আসামে বন্যা প্ৰতিরোধ

শ্ৰীরমেন্দ্ৰ দেয়ে সুধিছে :

৮৯। মাননীয় বন্যা প্ৰতিরোধ বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাবেন কি :

(ক) আসাম রাজ্যের স্থায়ী বন্যা প্ৰতিরোধ কল্পে সরকার কি কি বাস্তব ও বৈজ্ঞানিক পদক্ষেপ গ্ৰহণ করেছেন ?

(খ) বরাকডাম্ প্ৰকল্প রূপায়নে রাজ্য সরকার কি কি ব্যবস্থা গ্ৰহণ করেছেন ? এ ব্যপারে কেন্দ্ৰীয় সরকারের সংগে যোগাযোগ হয়েছি কি না ?

(গ) যদি হয়ে থাকে এ ব্যাপারে কেন্দ্ৰীয় সরকার কোন সহযোগিতার আশ্বাস দিয়ে ছেন কি ?

শ্ৰীছামসিং হাঞ্চে (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসমত বান প্ৰতিৰোধৰ কাৰণে চৰকাৰে হ্রস্বম্যাদী প্ৰকল্প হিচাবে তলত উল্লেখ কৰা প্ৰকল্পসমূহ হাতত লৈছে । যেনে—দুই বান্ধৰ মাজত অসম্পূৰ্ণ বান্ধ তৈয়াৰ কৰা, মথাউৰী ওখ আৰু শক্তিশালী কৰণ, পানীদুৱাৰ (Sluic Gate) নিৰ্মান কৰি বানপানী নিয়ন্ত্ৰন কৰা, গড়াখহনীয়া ৰোধ কৰা আৰু নতুন বান্ধ তৈয়াৰ কৰি নদীৰ পানী

প্ৰতিৰোধ কৰা। এই সংক্ৰান্তত ব্ৰহ্মপুত্ৰ বোৰ্ডে স্থায়ী দীৰ্ঘম্যাদী প্ৰকল্পৰ কাৰণে অনুসন্ধান ও জৰীপৰ কাম হাতত লৈছে। এই কাম সম্পূৰ্ণ হলেই উপযুক্ত Master Plan তৈয়াৰ কৰা হব। অৱশ্যে আংশিক হিচাবে মূল ব্ৰহ্মপুত্ৰ নদীৰ Master plan ব্ৰহ্মপুত্ৰ বোৰ্ডে ইতিমধ্যে ভাৰত চৰকাৰৰ ওচৰত দাখিল কৰিছে।

(খ) উত্তৰ পূব পৰিষদৰ অধীনত বৰাক নদীৰ ওপৰত টিপাইমুখ বান্ধ প্ৰকল্পৰ প্ৰতিবেদন কেন্দ্ৰীয় জল আয়োগ বিভাগে প্ৰস্তুত কৰিছে। এই প্ৰকল্প ব্ৰহ্মপুত্ৰ বোৰ্ডে কেন্দ্ৰীয় চৰকাৰলৈ অনুমোদনৰ কাৰণে পঠিয়াইছে আৰু বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(গ) এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ পৰা এতিয়ালৈ একো জানিব পৰা নাই।

বিষয় : অভিযন্তাৰ বৰ্খাস্ত

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱায়ে সুধিছে :

৯০। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) আজি কিছু দিনৰ আগতে বান নিয়ন্ত্ৰণ বিভাগৰ এজন উপ মুখ্য অভিযন্তা এজন কাৰ্য্যবাহী অভিযন্তা আৰু এজন সহকাৰী কাৰ্য্যবাহী অভিযন্তাক বৰ্খাস্ত কৰা হৈছিল নেকি ?

(খ) বৰ্খাস্তকাৰী সকলৰ অভিযোগ সমূহ কি, অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীছামসিং হাঞ্চে (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নাই হোৱা।

(খ) প্ৰশ্ন নুঠে।

Re : Electrification in villages under Sonari Police Station

Shri Abdul Rob Laskar asked :

91. Will the Minister, power be pleased to State :

(a) Whether the Government. is aware that the following Villages under Sonari Police Station of Silchar Sub-Division are not fully electrified :

(1) Sundari Part IV

(2) Saydpun Part. I, III, IV
(3) Uttar Krishnapur Part I & IV
(4) Dhakhin Mahonpur Part V
] Silchar Police Station

(5) Dhonohari Part. I

(6) Kachudaram Part. I

(7) Nagdirgram Part. I, II and III

(8) Narsingpur, Part I, II and III

(b) If so, whether the work in those villages will be completed within May, 1987.

Shri Lalit Chandra Rajkhowa (Minister of Power) replied :

(a) Yes.

(b) The work to the extent of load demand will be taken up and completed within May, 1987.

Re. : Mahila Samities

Shri Abdul Rob Laskar asked :

92. Will the Minister of Women and Social Welfare be pleased to State :

(a) Total number of Mahila Samities within Sonai Development Block under Silchar Sub-Division ?

(b) Name of the women Samities alongwith the Presidents and Secretaries ?

Smti. Rekha Rani Das Boro (Minister of State, Women and Social Welfare) replied :

(a) The Social Welfare Department do not keep the list of Mahila Samities.

(b) In the context of (a) above, the question does not arise.

Re. Installation of Deep Tube We'ls.

Shri Abdul Rob Laskar asked :

93. Will the Minister Irrigation be pleased to State :

(a) Total Nos. of Deep Tube Wells Installed within Sonai Constituency under Silchar Sub-Division of Cachar District.

(b) How may Deep Tube Wells are giving water to the land and in which places ?

Sri Prabin Deka (Minister Irrigation) replied :

(a) 17 Nos. of Deep Tube Wells Installed within Sonai Constituency.

(b) 3 (three) Nos. of Deep Tube Wells are giving water to the places as follows :

(1) Dhanehari
Sayedpur Area— 2 Nos.

(2) Sildub Area— 1 No.

Re : **Regarding Registered Sports Club.**

Shri Abdul Rob Laskar asked :

94. Will the Minister of Sports and Youth Welfare be pleased to State :

(a) Total number of registered Clubs and Associations under Sonai Development Block under Silchar Sub-Division ?

(b) Name of the Clubs and Associations ?

Shri Prabin Kumar Gogoi (Minister of Sports and Youth Welfare) replied :

(a) ক্রীড়া আৰু যুৱ কল্যান বিভাগে ক্লাব বা সংস্থা পঞ্জীভূত নকৰে বাবে এই বিভাগত তেনে কোনো তালিকা নাই।

(b) ওপৰৰ (a) প্ৰশ্ন উত্তৰৰ সন্দৰ্ভত প্ৰশ্ন নুঠে।

Re : Power Generation.

Dr. Ardhendu Kumar Dey asked :

95. Will the Minister, Power be pleased to state :

(a) Total amount of Power generation in the State at present?

(b) Daily requirement of Power at present stage ?

Shri Lalit Chandra Rajkhowa (Minister of power) replied :

(a) The maximum amount of power generated at present is nearly 181 M. W.

(b) Nearly 290 M. W. This includes supply of power to the neighbouring States and also Bhutan.

Re : I. C. D. S. Centres. 6/3/1987

Dr. Ardhendu Kumar Dey asked :

96. Will the Minister of Women and Social Welfare be pleased to state :

(a) The No. of I.C.D.S. Centres within the Hojai Sub-Division ?

(b) No. of Children getting services from these centres.

Shrimati Rekha Rani Das Boro (Minister of State Women and Social Welfare) replied :

(a) Under Hojai Sub-Division there is one I.C.D.S. Project at Lanka under which there are 186 Anganwadi Centres.

(b) 98,869 Nos. of Children are getting services from these Centres.

Re : Erosion at Raipur

Shri Altaf Hussain Mazumdar asked :

Will the Minister of Flood Control be pleased to state :

97. Is the Government aware that severe erosion is taking place at Raipur (Jaynagar-Jatrapur G.P.) under jurisdiction of Silchar Flood Control Division and if so, the action taken in this regard ?

Shri Samsing Hanse (Minister of Flood Control) replied : Yes, this is under examination.

Re : Construction of Ferry approaches.

Shri Altaf Hussain Mazumdar asked :

98 Will the Minister Transport be pleased to state :

(a) Whether it is a fact that Ferry approaches were made at Buribail Ferry of Silchar Sub-Division and if so, when ?

(b) Whether the Ferry service been taken over by Inland Water Transport and if not, when it will be taken over ?

(c) Whether the Government is aware about the public demand for taking over of (i) Bharali Bazar Ferry (ii) Muchimukh Ferry of River Barak and if so what action has been taken in this regard ?

Shri Lalit Chandra Rajkhowa (Minister of Transport) replied :

(a) The Buribail Ferry Service is operated by the Mahkuma Parishad and not by the Transport Department.

(b) No. it is not decided yet.

(c) Yes, proposal is under consideration of the Government.

Re : Construction of Embankments.

Shri Altaf Hussain Mazumdar asked :

99. Will the Minister of Flood Control be pleased to State :

(a) Whether it is a fact that in 1986 flood created havoc due to non-constructions of embankments in

(i) Pathakhai Harincherra on Right Bank of Jatinga.

(ii) Masimpur to Jatingamukh on the Right Bank of River Barak in Silchar Sub-Division ?

(b) If so, whether the Government has so far made any survey plan and estimate for the above mentioned embankment ?

(c) If not, will the Government be pleased to provide funds for those embankment ?

Shri Samsing Hanse (Minister of Flood Control) replied :

(a) (i) and (ii) Yes.

(b) So far question (a) (i) above is concerned estimates have already been prepared after proper survey.

As regards question (a) (ii) above survey is being done.

(c) Does not arise at this stage in view of reply to question (b) above.

Re : Allocation for Flood Control.

Shri Altaf Hussain Mazumdar asked :

100. Will the Minister, Flood Control be pleased to state :

(a) What is the total allocation of flood control of

Assam during the present plan, and the previous Five Year Plan (with annual allocation) ?

(b) The total amount allocated to Barak Valley for flood control during the last Five Year Plan and the present five year plan (Yearwise) ?

(c) Whether the allocation in current plan has increased or decreased in comparision with the previous Five Year Plan ?

(d) Has the Flood Control Department submitted demands to combat flood in the year 1986-87 in Barak Valley (Amount of Demand) and if so, what is the total amount provided against this demand ?

(e) Has the Government provided funds for Tuluma and Burikhal sluice gates of Silchar Sub-Division and when these two sluice gates are to be completed ?

Shri Samsing Hanse (Minister of Flood Control) replied :

(a) Total allocation (Yearwise for the last Five Year Plan is as follows :—

Year	Control Sector Schemes for Brahmaputra Valley	State Plan	Total
1980-81	Rs. 1300·00	Rs. 371·00 Lakhs	Rs. 1671·00
1981-82	Rs. 1590·00	Rs. 411 00 "	Rs. 2001·00
1982-83	Rs. 1300·00	Rs. 378·65 "	Rs. 1678·65
1983-84	Rs. 1000·00	Rs. 428·00 "	Rs. 1428·00
1984-85	Rs. 1500·00	Rs. 5 8·40 "	Rs. 2028·40
	Rs. 6690·00	Rs. 2117·05 Lakhs	Rs. 8807 05

Total allocation (Yearwise) for present Five Year Plan is as follows :—

1985 86	Rs. 645·00 Lakhs
1986-87	Rs. 645·00 "
1987-88 (Not known)	Rs. 642·00 "

(b) (i) Amount allocated for last Five Year Plan (1980 85 in as under :—

1980-81	Rs. 294·00 Lakhs
1981-82	Rs. 318 00 "
1982-83	Rs. 298 65 "
1983-84	Rs. 329·00 "
1984-85	Rs. 387 00 "

(ii) Amount allocated for present Five Year Plan (1985-90) is as below :—

1985-86	Rs. 300 00 Lakhs
1986-87	Rs. 303·55 "
1987-88	Rs. 351·50 "

(c) Slight decrease on the average.

(d) Total demand submitted for restoration of damages to the Flood Control works was for Rs. 1646·71 Lakhs an Amount of Rs 178·00 Lakhs is allotted.

(c) Yes, the works of sluice over Thulama is expected to be completed in this working season. The works of sluice over Burikhal also is expected to be completed in 1988-89.

বিষয় ঃ বৰগোলাই তাপ বিদ্যুৎ কেন্দ্ৰ।

শ্ৰীকুমাৰ দীপক দাস য়ে সুধিছে :

১০১। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মাৰ্ঘেৰিটাৰ ওচৰত বৰগোলাই তাপ বিদ্যুৎ কেন্দ্ৰ স্থাপন সম্পৰ্কে কিবা নতুন সিদ্ধান্ত চৰকাৰে গ্ৰহণ কৰিছে নেকি ?

(খ) এই তাপ বিদ্যুৎ কেন্দ্রটোক fludised bed construction method কৰা সম্পৰ্কত পৰীক্ষা যোৰহাট R.R.L. আৰু BHEL ক দায়িত্ব দিয়া সম্পৰ্কত চৰকাৰ অৱগত নে ?

(গ) যদি জানে ইয়াৰ ফলাফল কি ?

(ঘ) এই তাপ বিদ্যুৎ কেন্দ্ৰ স্থাপন কৰাৰ বাবে কেনে ভাৱে কেন্দ্ৰীয় চৰকাৰৰ সতে যোগাযোগ কৰা হৈছে আৰু ফলাফল সম্পৰ্কে বিতং ভাৱে জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (শক্তি, বিদ্যুৎ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ।

(ক) কোনো নতুন সিদ্ধান্ত গ্ৰহণ কৰা নাই ।

(খ) হয়, যোৰহাট আঞ্চলিক গৱেষনাৰ আৰু BHEL এ এই ক্ষেত্ৰত কিছু পৰীক্ষামূলক ভাবে কাৰ্য্য চলাই আছে বুলি জনা যায় ।

(গ) ইয়াৰ ফলাফল অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক পোনপটীয়া ভাৱে জনোৱা হোৱা নাই ।

(ঘ) প্ৰকল্পটো ১৯৮১ চনতে পৰিকল্পনা আয়োগে অনুমোদন দিয়ে আৰু ৬ষ্ঠ পৰিকল্পনাত ইয়াক অন্তৰ্ভূক্ত কৰা হয় । প্ৰাথমিক প্ৰস্তুতিৰ বাবে ৫.৩৮ লাখ টকা খৰচ কৰা হয় । সপ্তম পৰিকল্পনাত মাত্ৰ ৭৫ লাখ টকা এই প্ৰকল্পৰ বাবে ধাৰ্য্য কৰা হৈছে । ১৯৮৫-৮৬ চনত ৫০ লাখ টকাহে মাথোন ধাৰ্য্য কৰা হৈছিল । ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনত এই প্ৰকল্পৰ বাবে কোনো বিত্তীয় অনুদান ধাৰ্য্য কৰা নাই ।

বিষয় : মথাউৰি মেৰামতিৰ বাবে অনুদান।

শ্ৰীদেবেশ্বৰ বৰা য়ে সুধিছে :

১০২। মাননীয় বাননিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অক্টোবৰ মাহৰ প্ৰবল বানপানীয়ে অনিষ্ট কৰা কোন কোন মথাউৰিৰ মেৰামতিৰ বাবে চৰকাৰে অনুদান আগবঢ়ালে ?

(খ) বান নিয়ন্ত্ৰন বিভাগে ১৯৮৬-৮৭ চনত অসমৰ কোন কোন ঠাইৰ গড়াখহনীয়াৰ বাবে চৰকাৰী অনুদান অনুমোদন জনাইছে ?

(গ) ১৯৮৭-৮৮ চনত বৰাক উপত্যকাৰ বাবে কিমান টকা ধৰা হৈছে ?

শ্ৰীছামসিং হাঞ্চে (বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কপিলা, কলং, কিলিং, ধনশ্ৰী, বৰাক, কুলিয়ানা, সোনাই, ৰুকুনী

আৰু শিঙলা আদি নৈৰ পাৰৰ মথাউৰি মেৰামতিৰ বাবে চৰকাৰে অনুদান অ'গবঢ়াইছে।

(খ) ১৯৮৬-৮৭ চনত গড়াখহনীয়াৰ বাবে অনুমোদন দিয়া আঁচনি কেইখনৰ তালিকা ইযাৰ লগত গাঠি দিয়া হ'ল।

(গ) ১৯৮৭-৮৮ চনৰ বাৰ্ষিক পৰিকল্পনাত বৰাক উপত্যকাৰ বান নিয়ন্ত্ৰনৰ বাবে ৩৫১'৫০ লাখ টকা ধাৰ্য্য কৰা হৈছে। মেৰামতিৰ বাবে ধনৰ পৰিমান এতিয়ালৈকে ১৪৮'০০ লাখ ধৰা হৈছে।

বিষয় : ক্ৰীড়াৰ বাবে অনুদান।

শ্ৰীদেবেশ্বৰ বৰা য়ে সুধিছে :

১০৩ মাননীয় ক্ৰীড়া আৰু যুৱ কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চৰকাৰে ক্ৰীড়াৰ নামত ১৯৮৬-৮৭ চনৰ বাজেটৰ টকা কোন কোন সমষ্টিত কিমান কিমান টকাৰ অনুদান আগ বঢ়ালে ?

(খ) ১৯৮৬-৮৭ চনত কোন কোন ঠাইত গ্ৰাম্য খেল পথাৰ স্থাপন কৰিবলৈ লৈছে আৰু কিমান টকাৰ অনুদান ধাৰ্য্য কৰা হৈছে ?

(গ) ক্ৰীড়া স্কুল ক'ত ক'ত প্ৰতিস্থা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে ?

শ্ৰীপ্ৰবীন কুমাৰ গগৈ (ক্ৰীড়া আৰু যুৱ কল্যান মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ক্ৰীড়া বিভাগে ১৯৮৬-৮৭ চনত সমষ্টিৰ ভিত্তিত খেলা-ধুলাৰ বিষয়ে কোনো অনুদান দিয়া নাই।

(খ) ১৯৮৬-৮৭ চনত ১৫ টা উন্নয়ন খণ্ডত গ্ৰাম্য খেল পথাৰ তৈয়াৰ কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। উন্নয়ন খণ্ডসমূহৰ তালিকা এতিয়াও চুড়ান্ত হোৱা নাই।

(গ) এই বিষয়ে কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

(The replies and the Unstarred Question No. 104 was not laid on the tables)

বিষয় : বাছৰ পাৰ্মিট।

শ্ৰীমতী জ্যোৎস্না সোনোৱাল য়ে সুধিছে :

১০৫ মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

তিনিচুকীয়া মহকুমাত কিমান বেচৰকাৰী বাছক চৰকাৰে পাৰ্মিট দিছে জনাবনে আৰু কিহৰ ভিত্তিত এইবোৰ অনুমতি দিয়া হৈছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

তিনিচুকীয়া মহকুমাত মুঠ ১৫ খন বেচৰকাৰী বাছৰ অনুজ্ঞাপত্ৰ দিয়া হৈছে। অসম চৰকাৰে গ্ৰহণ কৰা নীতিৰ (৬০ : ৪০ অনুপাতিক সূত্ৰ) ভিত্তিত যাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এই ১৫ খন বেচৰকাৰী বাছক অস্থায়ী অনুজ্ঞাপত্ৰ দিয়া হৈছে।

বিষয় : সংমণ্ডলীক কাৰ্য্যালয় গৃহ ।

শ্ৰীকুসুম্বৰ টাইৰাইয়ে সুধিছে :

১০৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ডিব্ৰুগড় জিলাৰ অন্তৰ্গত জলসিঞ্চন বিভাগৰ দ্বাৰা নিৰ্মাণ কৰা নাহৰকটীয়া সংমণ্ডলীক কাৰ্য্যালয়ৰ গৃহ নিৰ্মাণৰ কাম বন্ধ হৈ থকাৰ কাৰণ কি ?

শ্ৰীপবিন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) এই গৃহ নিৰ্মাণৰ কাম নিৰ্মাণ সামগ্ৰী নাটনি হোৱাৰ বাবে সাময়িক ভাবে বন্ধ আছিল। এই কাম চলিত বিত্তীয় বছৰত সম্পূৰ্ণ হব বুলি আশা কৰা হৈছে।

Miscellaneous Discussion

মাননীয় অধ্যক্ষ : এতিয়া এটা বিশেষ বিষয় মাননীয় সদস্য শ্ৰীগনেশ কুটুম ডাঙৰীয়াই উত্থাপন কৰিব।

শ্ৰীগনেশ কুটুম : মই এতিয়া মাননীয় গৃহ মন্ত্ৰী মহোদয়ক এটা বিশেষ বিষয়ৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, সেইটো হ'ল আমাৰ অসমৰ, বিশেষকৈ মোৰ সমষ্টিৰ ৬ গৰাকী ব্যক্তিক অৰুণাচলৰ পুলিচে যোৱা ২৬-২-৮৭ তাৰিখে আবেলি বলপূৰ্বকভাবে ধৰি লৈ যায়। এইটো বৰ পৰিতাপৰ বিষয় যে অৰুণাচল চৰকাৰৰ যিসকল পুলিচ বিষয়াই আমাৰ এই ৬ গৰাকী লোকক বলপূৰ্বক ভাবে লৈ গল, ইয়াৰ দ্বাৰা তেওঁলোকে আমাৰ ওচৰচুবুৰীয়া ৰাজ্যৰ লগত যি ধৰণৰ সম্পৰ্ক নীতি-নিয়ম মানি চলিব লাগিছিল সেই ধৰণে কৰা নাই।

এই ৬ গৰাকীৰ ভিতৰত স্কুলীয়া ছাত্ৰ বিজয় পেগু, বিজয় দলৈ প্ৰায় ১২।১৩ বছৰীয়া ল'ৰা আৰু সুনীল ঘোষ ১২ বছৰীয়া, তেওঁ চাহদোকানত কাম কৰে আৰু আন এজন হ'ল বুদ্ধেশ্বৰ দলৈ ৩৮ বছৰীয়া বুঙ্গি শুনিছো তেওঁ মাছ ধৰা জাল গুঠি থকা অৱস্থাত আৰু জীৱ কান্ত পেগু ৩২ বছৰীয়া, এওঁলোকক অৰুণাচলৰ পুলিচে বলপূৰ্বক ভাবে ধৰি লৈ গৈছে। আৰু এজন লোক ৰাম বাহাতুৰ চাহুক বিচনাত শুই থকা অৱস্থাতে ধৰি লৈ গৈছে। এই ঘটনা সংঘটিত হোৱাৰ পিচৰে পৰা সকলো পুৰুষ লোকে ঘৰ-বাৰী ত্যাগ কৰিব লগা হৈছে আৰু কেৱল মহিলা সকলেহে বসবাস কৰিব লগা হৈছে, সেইখিনি খবৰ মই যোৱা ২ তাৰিখে গৃহ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছিলো। মোৰ সমষ্টিৰে ৬ জন লোকৰ জীৱনৰ নিৰাপত্তা কি হ'ল সেই সম্পৰ্কে মই সন্দিহান। গতিকেই মই বৰ উদ্বিগ্নতাৰে মাননীয় গৃহ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু সেই সম্পৰ্কত চৰকাৰৰ ফালৰ পৰা কি ব্যৱস্থা লৈছে আৰু সেই ক্ষেত্ৰত কেনে অগ্ৰগতি লাভ কৰিছে সেই লোক সকলক উদ্ধাৰ কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীগণেশ কুটুম ডাঙৰীয়াই উত্থাপন কৰা বিষয়টোৰ সম্পৰ্কত সন্মানিত সদনক জনাব বিচাৰিছো—

মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৬-২-৮৭ তাৰিখে গহপুৰ থানাৰ অন্তৰ্গত ৰাজগড় চৰাইবাহী নিবাসী শ্ৰীধনুৰাম পেগুৱে গধূলি ৭-৩০ মান বজাত গহপুৰ থানাত হাজিৰ হৈ জনাই যে, তেওঁৰ ল'ৰা বিজু পেগু (১২ বছৰ) আৰু তেওঁলোকৰ এলেকাৰ বুদ্ধেশ্বৰ দলে (২২), জীৱকান্ত দলে (২১), বোবাই দলে (১২ বছৰ), ৰামবচন চাহু (৪৫), সুনীল ঘোষক (১২), ৰাজগড় ৰাস্তাৰ দাতিত চতৰং বৰবালি গাঁৱৰ পৰা বালিজানৰ ফালৰ পৰা জীপত অহা পুলিচে বলপূৰ্বকভাবে অপহৰণ কৰি লৈ যায়। এই সংক্ৰান্তত গহপুৰ থানাত ভাৰতীয় দণ্ডবিধি আইনৰ ৩৬৫ ধাৰা মতে ৩৯/৮৭ নম্বৰৰ গোচৰ ৰুজু কৰা হৈছে। শোণিতপুৰ জিলাৰ আৰক্ষী বিভাগে জনাইছে যে উপৰোক্ত ব্যক্তি কেইজনক অৰুণাচল প্ৰদেশৰ পুলিচে অসমৰ এলেকাৰ ভিতৰৰ পৰা ধৰি লৈ যায়। ঘটনাৰ সময়ত বোবাই দলে আৰু বিজু পেগু স্কুলৰ পৰা আহিছিল। ৰামবচন চাহু আৰু সুনীল ঘোষ তেওঁলোকৰ দোকানত আছিল, বুদ্ধেশ্বৰ দলে আৰু জীৱকান্ত দলে বুদ্ধেশ্বৰ দলেৰ ঘৰত এখন মাছ ধৰা জাল মেৰামতি কৰি আছিল। শোণিতপুৰ জিলাৰ

আৰক্ষীৰ পৰা শেহতীয়াকৈ পোৱা খবৰ মতে যোৱা কালি (৩-৩-৮৭) অৰুণাচলৰ পৰা মুকলি হৈ তেওঁলোক ঘৰ পায়হি।

যোৱা ৩-৩-৮৭ তাৰিখে গহপুৰ থানাৰ অন্তৰ্গত গৰৈমাৰী ১ নং গাওঁ নিবাসী শ্ৰী সানেশ্বৰ বসুমতাৰীয়ে থানাত হাজিৰ হৈ অভিযোগ কৰে যে যোৱা ২৬-২-৮৭ তাৰিখে অৰুণাচল প্ৰদেশৰ এটি আৰক্ষী দলে গৰৈমাৰী ১ নং গাওঁ নিবাসী সন্তোষ বসুমতাৰী (২৫), ভবেশ বসুমতাৰী (৩৩), আৰু লুং ডুংপাৰা গাওঁ নিবাসী নগেন মুছাহাৰীক (৪৫) বলপূৰ্বক ভাবে অপহৰণ কৰি লৈ যায়। এই সংক্ৰান্তত গহপুৰ থানাত ভাৰতীয় দণ্ডবিধি আইনৰ ৩৬৫ ধাৰামতে ৪৩/৮৭ নং মোকৰ্দমা পঞ্জীয়ন কৰা হৈছে। তদন্ত ক্ষীপ্ৰতাৰে চলি আছে। তেওঁলোকক কত আবদ্ধ কৰি ৰাখিছে তাৰ এতিয়াও খবৰ পোৱা নাই।

তদুপৰি যোৱা ২৬-২-৮৭ তাৰিখে উত্তৰ লক্ষীমপুৰ জিলাৰ বিহপুৰীয়া থানাৰ অন্তৰ্গত তৰাজুলী গাঁৱৰ পৰা সৰ্বেশ্বৰ বৰা আৰু তেওঁৰ পুত্ৰ চেনিৰাম বৰা অৰুণাচল প্ৰদেশৰ পৰা অহা পুলিচ আৰু অন্যান্য বিষয়াসকলে বলপুৰ্বকভাৱে ধৰি লৈ যায়। যোৱা ২৮-২-৮৭ তাৰিখে অৰুণাচল প্ৰদেশৰ দণ্ডাধীশে (P. R. Bond) মছালিকা লৈ সৰ্বেশ্বৰ বৰাক এৰি দিয়ে। চেনীৰাম বৰাকো ইতিমধ্যে মুকলি কৰি দিছে বুলি জনা গৈছে। গহপুৰ থানাৰ অন্তৰ্গত শিমলুবাৰী গাঁৱৰ এলেকাৰ পৰাও চাৰিজন লোকক অৰুণাচল প্ৰদেশৰ বিষয়াসকলে সেইদিনাখনেই একেদৰে ধৰি লৈ যায় বুলি এটা খবৰ পোৱা গৈছে। সেই বিষয়ে সঠিক আৰু বিতং খবৰ এতিয়াও পোৱা নাই।

শোণিতপুৰ জিলা আৰু লক্ষীমপুৰ জিলাৰ উচ্চ আৰক্ষী বিষয়াসকলে এই ঘটনাবিলাকৰ বিষয়ে বৰ্তমান তদন্ত কৰি আছে।

ঘটনাৰ খবৰ পোৱাৰ অলপ পিচতেই যোৱা ২-৩-৮৭ তাৰিখে উত্তৰ অসমৰ আয়ুক্তই (Commissioner NAD Tezpur) তেওঁৰ অৰুণাচলৰ প্ৰতিপক্ষলৈ ঘটনাৰ প্ৰতিবাদ কৰি বাৰ্তা পঠায়। চৰকাৰৰ পৰ্য্যায়তো যোৱা ২-৩-৮৭ তাৰিখে অৰুণাচল চৰকাৰৰ ওচৰত অনাতাৰ বাৰ্তা যোগে ঘটনাৰ প্ৰতিবাদ জনায় আৰু মানুহ কেইজনক শীঘ্ৰে মুক্তি দিবলৈ দাবী কৰে। এতিয়াও যি কেইজন ব্যক্তি অৰুণাচল প্ৰদেশত আবদ্ধ হৈ আছে শীঘ্ৰে মুক্তি দিবলৈ কোৱা হৈছে।

এইটো অৰুণাচল চৰকাৰৰ এটা সম্পূৰ্ণ অবিধিযুক্ত কাৰ্য। অসমৰ এলেকাত তেওঁলোকৰ আৰক্ষী বাহিনীয়ে মানুহ আটক কৰাৰ কোনো আইনগত অধিকাৰ

নাই। এলেকাটোত ঘটনাটোৱে সন্ত্ৰাসৰ সৃষ্টি কৰিছে আৰু তাৰ পৰিপ্ৰেক্ষিত আৰক্ষী বাহিনীৰ পহৰাৰ ব্যৱস্থা কৰা হৈছে. ভৱিষ্যতে যাতে এনেধৰণৰ ঘটনাৰ পুনৰাবৃত্তি অৰুণাচল চৰকাৰৰ ফালৰ পৰা নহয় তাৰ বাবে আমাৰ চৰকাৰৰ তৰফৰ পৰা কঠোৰ ভাবে স‍ঁকিয়াই দিয়া হৈছে।

মাননীয় অধ্যক্ষ : এতিয়া এটা বিষয় উত্থাপন কৰিব মাননীয় সদস্য শ্ৰীবিনয় খুংগুৰ বসুমতাৰী।

Shri Binoy Khungur Basumatary : Mr. Speaker Sir, I am very sorry to inform you and this House that one of our friend an Ex-M.L.A. Shri Ajoy Kumar Dutta was almost kidnapped on the day before last at about 1 P.M. when he was helping his cousin in connection with building of their house. It transpires that one Shri Nalini of Silpukhuri areas came in scooter. He along with few others tried to assault and kidnap Shri Dutta. Then Shri Dutta had to run away and took shelter in a nearby hotel. Then he contacted the police and the S.P. of Guwahati, Kamrup informed him that he cannot do anything. It is also reported that he tried to contact the city D.S.P. who does not have te'ephones in his office and residence. The O.C., Guwahati Police Station also does not have a phone in his quarter. Sir, Shri Dutta is a very important person. He is the General Secretary of the Janata Party, Secretary of Red-Cross Society etc. Such an important person like Shri Dutta was sought to be kidnapped in the heart of the city. If such things happen in the city nobody will be secure. Therefore, I request the Honourable Home Minister, to see that all sections of the people are assured protection and I draw his attention to this incident.

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এই ঘটনা সংঘটিত হোৱাৰ পাচত যোৱা কালি ৰাতিপুৱা শ্ৰীঅজয় দত্তই টেলিফোন যোগে

মোৰ লগত কথা-বতৰা হৈছিল, টেলিফোনত কোৱা ধৰণে 'কিদনেপ' হৈছে কোৱা নাই। মাননীয় সদস্যই কাৰ্য ব্যৱস্থা লোৱা নাই বুলি যি কৈছে সেইটো নহয়, পুলিচক খবৰ দিয়া হৈছিল আৰু এজেহাৰ দিবলৈ কোৱা হৈছিল কিন্তু তেওঁ ৰাতি এজেহাৰ দিব নোৱাৰো বুলি কলে আৰু ৰাতিপুৱাহে এজেহাৰ দিব পৰা হব বুলি জনালে। মাননীয় সদস্য বিনয় খুংগুৰ বসুমতাৰী ডাঙৰীয়াই উত্থাপন কৰা ঘটনাটোৰ ওপৰত চৰকাৰৰ বক্তব্য এই ধৰণে দিয়া হ'ল—

"মাননীয় অধ্যক্ষ মহোদয়, যোৱা ইং ৪-৩-৮৭ তাৰিখে ৰাতি ১১-৫৫ মিনিটত পানবজাৰ গোপীনাথ বৰদলৈ পথ নিবাসী প্ৰাক্তন বিধায়ক শ্ৰীঅজয় কুমাৰ দত্ত ডাঙৰীয়াই পানবজাৰ আৰক্ষী থানালৈ ফোন যোগে জনাই যে কিছু সময়ৰ আগতে তেওঁৰ ঘৰৰ দেৱাল এখন মেৰামতিৰ বাবে এখন ট্ৰাকেৰে সৰস্বতী ৰ'ডৰ কাষৰ তেওঁৰ ঘৰত বালি পেলাই থাকোতে এজন যুৱকে তেওঁক মাৰধৰ কৰে। পানবজাৰ আৰক্ষী থানাই এজাহাৰ দিবলৈ কোৱাত ৫-৩-৮৭ তাৰিখে ৰাতিপুৱাহে এজাহাৰ দিব বুলি কয়। যোৱা ইংৰাজী ৫-৩-৮৭ তাৰিখে ৰাতিপুৱা ৯ বাজি ৪৫ মিনিটত শ্ৰীদত্তই এখন লিখিত এজেহাৰ দিয়ে। উক্ত এজেহাৰ মতে যোৱা ৪-৩-৮৭ তাৰিখে ৰাতি ১১ টা ১৫ মিনিটত শ্ৰীদত্তই তেখেতৰ বাস ভৱনৰ পিছ-ফালে অৱস্থিত সৰস্বতী ৰ'ডত ট্ৰাক এখনৰ পৰা তেওঁৰ ঘৰৰ চৌহদত বালি পেলাই থাকোতে অতি কমেও চাৰিজন লোকে অট'ৰিক্সাত উঠি আহি তেখেতক আক্ৰমন কৰে। এই ঘটনাৰ আগতে এখন স্কুটাৰ আৰু এখন মটৰ চাইকেলত পান বজাৰৰ ফালৰ পৰা অহা দুজন ব্যক্তিয়ে সেই ৰাস্তাৰে পাৰ হৈ যায় আৰু স্কুটাৰ চালকজনে ঘূৰি আহি ট্ৰাকচালকজনক চৰিয়াই বুলি এজাহাৰত প্ৰকাশ। শ্ৰীদত্তই স্কুটাৰ চালকজনক বুজাবলৈ চেষ্টা কৰে। ইতিমধ্যে এখন অট'ৰিক্সা সেই ঠাইত ৰখাই আৰু তাৰ পৰা এজন ব্যক্তি ওলাই আহি শ্ৰীদত্তক হাতেৰে আৰু ভৰিৰে প্ৰহাৰ কৰে বুলি এজাহাৰত প্ৰকাশ। অট'ৰিক্সাত অহা অন্য দুই তিনিজন ব্যক্তিৰে সৈতে মিলি উক্ত ব্যক্তিজনে শ্ৰীদত্তক পিচে পিচে খেদি যোৱাত শ্ৰীদত্তই কাষৰে এখন সৰু হোটেলত আশ্ৰয় লয় বুলি এজেহাৰত প্ৰকাশ। তাৰ কিছু সময়ৰ পিছত শ্ৰীদত্তক ঘৰৰ মানুহে আৰু বন্ধুৱে হোটেল-খনৰ পৰা ঘৰলৈ নিয়ে বুলি শ্ৰীদত্তই জনায়।

উক্ত ঘটনা সংক্ৰান্তত পানবজাৰ আৰক্ষী থানাই ভাৰতীয় দণ্ডবিধিৰ ৩৪১/৩২৫/৫০৬/৩৪ ধাৰাত ৬২/৮৭ নং গোচৰ পঞ্জীভুক্ত কৰে। এই বিষয়ে তদন্ত চলি আছে।

মাননীয় অধ্যক্ষ : এতিয়া মাননীয় সদস্য ডাঃ অর্ধেন্দু কুমাৰ দে ডাঙৰীয়াই এটা বিষয় উত্থাপন কৰিব।

ডাঃ অর্ধেন্দু কুমার দে : অধ্যক্ষ মহোদয়, গত ২১-২-৮৭ তাং লামডিংএ যে ঘটনা ঘটে গেল তার প্রতি আমি সদনের দৃষ্টি আকর্ষন করছি। গত ২১-৩-৮৭ ইং ভজন নাগ (৩২) এবং জীবন দাসকে লামডিং-ডিফু যাবার পথে কিছু দুর্বৃত্ত এক এমবাসেডর গাড়ী থেকে নেমে কটুপাথারের কাছে অদের মোটর সাইকেলটিকে থামিয়ে (গাড়ীর নং— এ এস কিউ ৬৫৭৬) গুলি করে ভজন ও জীবনকে হত্যা করে। জীবন ঘটনা হইলেই মারা যায় এবং ভজন কিছু সময় কথা বার্তা বলে পরে মারা যায়। জনসাধারনের মতে স্থানীয় পুলিশ প্রশাসন একটু সজাগ হলেই এই নৃশংস হত্যাকাণ্ড রোধ করা যেত। কারণ ভজনের ভাই অজিত নাগকে হত্যার চেষ্টার পর থেকেই ভজনকেও হত্যার পরিকল্পনা নেওয়া হয়েছিল। কয়েকদিন আগে অজিত নাগকে এই দুর্বৃত্তরা ধরে নিয়ে গিয়েছিল এবং এই ব্যাপারে পরের দিন থানায় এজাহারও দিয়েছিলেন। যে টেক্সিথেকে ওদেরকে গুলি করা হয়েছিল সেখানে উইলো, পাচু শান্তিরা ছিল বলে জানা গেছে। কিন্তু সব নাটের গুরু হলো লামডিং টাউন কমিটির এড-হক সভাপতি এবং এ, জি, পি, প্রেসিডেণ্ট মুনীন্দ্র দে ওরফে শনি। তিনিই নাকি পশ্চাদ থেকে কল কাটি নাড়ছিলেন। ভজন জীবনের হত্যার পর সেই হত্যা স্থলটিকে কর্ডন করার ব্যবস্থা পর্যন্ত পুলিশ করেনি। যদি সময় মত কর্ডন করা হতো তাহলে নিশ্চয় অনেক 'এভিডেন্স' পাওয়া যেত। ওদের দুজনকে হত্যা করার পর ড্রাইভার সহ ট্যাক্সিটিকে হোজাইতে গ্রেপ্তার করা হয়। কিন্তু ড্রাইভার কে যিনি পুরো ঘটনার সাক্ষী তাকে জামিনে ছেড়ে দেওয়া হয়। এই গাড়ীটি পৌরসভার প্রাক্তন চেয়ারমেন শ্রীতারক রায়ের বলে জানা গেছে। ভজনের মা সঙ্গে সঙ্গে থানায় গিয়ে তা জানায়। কিন্তু থানা কর্তৃপক্ষ গাড়ী নেই এই অজুহাত দিয়ে কোন ব্যৱস্থা গ্রহণ করেনি বলে অভিযোগ উঠেছে। লামডিঙের বিধায়ক থানা কর্তপক্ষকে যখন জিজ্ঞাসা করেছিলেন যে এই এ, এস, কিউ— ৬৫৭৬ নম্বরের টেক্সিটি কোথায়? তখন জানানো হয়েছিল যে ঐ টেক্সিটি নাকি ব্রেক ডাউন অবস্থায় নওগাওতে রয়েছে। অথচ এদিন লামডিং এর একটি পেট্রোল পাম্প থেকে ৬৫৭৬ টেক্সিটি ২০ লিটার পেট্রোল এবং আধা লিটার মবিল ক্রয় করেছিল। তার নাম ধামও পাম্পে নথিভুক্ত করা আছে। তবে

কেন থানা কর্তৃপক্ষ মিথ্যা কথা বললেন? নিশ্চয়ই থানা কর্তৃপক্ষ প্রথম থেকেই ভজন হত্যার গভীর ষড়যন্ত্রে জড়িয়ে ছিল। কিন্তু সুখের কথা নগাওর বর্তমান এস পি শ্রীরাম চন্দ্র খুব ভাল লোক। স্থানীয় নেতৃবৃন্দ পুলিচ প্রশাসনকে ১২ ঘন্টা সময় দিয়েছিল এই সব খুনীদের ধরার জন্য শ্রীরামচন্দ্রের একান্ত আগ্রহের ফলে এই সব খুনীদের ধরা সম্ভব হয়েছিল। কেউ কেউ আত্মসমর্পণও করেছিল। ভজনের হত্যাকারী হিসাবে পাচু, উইলো, শনি, শান্তিকে গ্রেপ্তার করা হয়েছিল। এরমধ্যে এ, জি, পির ইউনিট সভাপতি শনি নন্দা বলে একজনকে হত্যা করেছিল বলে আগেও অভিযোগ আছে। তাছাড়া এদসের কেউ একটি 'রেপ' কেসের সঙ্গেও জড়িত। এই গুরুতর ঘটনার প্রতি মন্ত্রী মহোদয়র দৃষ্টি আকর্ষণ করছি এবং যারা এইসব ঘটনা করে যাচ্ছে তাদের বিরুদ্ধে বিশেষ ব্যবস্থা নেওয়ার জন্য মন্ত্রী মহোদয়কে অনুরোধ করছি।

Shri Deba Bora : On a point of order. Regarding Call Attention I will refer to Rule .....

শ্ৰীজয় নাথ শৰ্মা : ২১ তাৰিখৰ ঘটণাটো জিৰ' আৱাৰত কেনেকৈ উঠিব ?

মাননীয় অধ্যক্ষ : এতিয়া মাননীয় গৃহমন্ত্ৰীয়ে উত্তৰ দিব।

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডা: অৰ্দ্ধেন্দু কুমাৰ দে ডাঙৰীয়াই উত্থাপন কৰা লামডিঙৰ ঘটনা সম্পৰ্কত সন্মানিত সদনৰ জ্ঞাতাৰ্থে জনাও যে যোৱা ইং ২১-২-৮৭ তাৰিখে ৰাতিপুৱা ১০.৩০ বজাত ভজন নাগ আৰু জীবন দাস নামৰ দুজন মানুহক দুষ্কৃতিকাৰী দলে লামডিং ডিফু ৰাষ্টাত লামডিঙৰ পৰা মটৰ চাইকেলেৰে মানুহ দুজন ঘূৰি যাওঁতে ৰাষ্টাত হত্যা কৰে। এই ঘটনা সংক্ৰান্তত ভাৰতীয় দণ্ডাবিধি আইনৰ ১৪৭।১৪৮।১৪৯।৩০২ ধাৰা মতে লামডিং থানাত ১৮।৮৭ নং গোচৰ পঞ্জীভুক্ত কৰা হৈছে।

তদন্তকাৰী বিষয়াৰ প্ৰাথমিক তদন্তৰ প্ৰতিবেদন অনুসৰি জনা গৈছে যে মৃত ভজন দাসৰ সৈতে লামডিং নিবাসী শ্ৰীমুনীন্দ্ৰ কুমাৰ দে আৰু শ্ৰীপাচু মজুমদাৰৰ পুৰণি কাজিয়া আছিল আৰু লামডিং থানাত ফৌজদাৰী কাৰ্য্য বিধি আইনৰ ১০৭ ধাৰা গোচৰো আছিল।

পুলিচে উক্ত হত্যা গোচৰ সংক্ৰান্তত লামডিং নিবাসী শ্ৰীপাচু মজুমদাৰ আৰু শ্ৰীমুনীন্দ্ৰ কুমাৰ দেক গ্ৰেপ্তাৰ কৰে।

আৰক্ষী বিভাগে এই গোচৰ সম্পৰ্কত যথাযথ ব্যৱস্থা লৈ আছে আৰু আনকি নগাওঁ জিলাৰ আৰক্ষী অধীক্ষকে নিজেই গোচৰটোৰ তদন্তৰ তদাৰক কৰিছে। বৰ্তমানে গোচৰটোৰ তদন্ত সোনকালে সম্পূৰ্ণ কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। মাননীয় সদস্য গৰাকীয়ে আৰক্ষী বিভাগৰ নিষ্ক্ৰীয়তাৰ বাবেহে হত্যাকাণ্ডটো সংঘটিত হল বুলি তোলা অভিযোগটো ভিত্তিহীন।

INTRODUCTION OF GOVERNMENT BILLS

Mr. Speaker : Now item No. 2, Honourable Chief Minister.

Shri Prafulla Kumar Mahanta (Chief Minister) : Sir, I beg leave to introduce the Assam Lokayukta and Upa-Lokayuktas (Amendment) Bill 1987.

Mr. Speaker : Is it the pleasure of the House to grant leave ?

(Leave is granted)

Shri Prafulla Kumar Mahanta (Chief Minister) : Sir, I beg to introduce the Assam Lokayukta and Upa-Lokayuktas (Amendment) Bill, 1987.

(Secretary read out the Title of the Bill Introduced)

Laying of Reports

Mr. Speaker : Now, item No. 3, Shri Pradip Gogoi, Minister of State, Parliamentary Affairs.

Shri Pradip Gogoi (Minister, State Parliamentary Affairs) : Sir, I beg to lay the Report of the Comptroller and Auditor General of India (commercial) for the year 1983-8 relating to the Government of Assam.

GOVERNOR'S ADDRESS

মাননীয় অধ্যক্ষ : এতিয়া ৰাজ্যপালৰ ভাষণত বিতৰ্ক আৰম্ভ হব। প্ৰথমতে ভাগ লব মাননীয় সদস্য ডাঃ কমলা কলিতাই।

ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, চলিত বিধান সভাত অসমৰ ৰাজ্যপাল ডাঙৰীয়াই দিয়া ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীজয় নাথ শৰ্মাৰ ধন্যবাদ সূচক প্ৰস্তাৱক মই পূৰ্ণ সমৰ্থন জনাইছো। মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত অসমৰ আমি এখন সৰ্বাঙ্গ সুন্দৰ ছবি দেখা পাইছো। আমি এই কাৰণেই ৰাজ্যপালৰ ভাষণক সমৰ্থন জনাইছো। ইয়াত অসমৰ জনসাধাৰণৰ নতুন আশাৰ সঞ্চাৰ আনিছে। ইয়াৰ লগে লগে মই অসম চুক্তি সম্পৰ্কে কেইটামান কথা ভাঙি ধৰিব খুজিছো। অসম চুক্তি কাৰ্য্যকৰী কৰিবৰ কাৰণে, ইয়াৰ দ্ৰুত ৰূপায়নৰ কাৰণে অসম চৰকাৰে কাৰ্য্য ব্যৱস্থা হাতত লৈছে। এই ক্ষেত্ৰত চৰকাৰে ইয়াতকৈয়ো দক্ষতাৰে আগবাঢ়ি যাব লাগিব। আৰু কোনো চুক্তিৰ লগত আপোচ হব নালাগিব। অসমৰ জনসাধাৰণে আশাৰ ওপৰত ভিত্তি কৰি এই চৰকাৰ প্ৰতিষ্ঠা কৰিছে। যেতিয়ালৈকে অসম চুক্তি আখৰে আখৰে পালন নকৰে, তেতিয়ালৈকে অসম চৰকাৰ ক্ষান্ত হব নালাগিব।

আমাৰ আইন শৃঙ্খলাৰ পৰিস্থিতি সম্পৰ্কে মই ভাষণ ৰাখিব খোজা নাই। এই কাৰণে যে অসমৰ জনসাধাৰণে তাক উপলব্ধি কৰিছে। আমি অসমৰ জনসাধাৰণে মুকলি আকাশৰ তলত বিচৰণ কৰিব খোজো। কিছুমানে আইন শৃঙ্খলা অৱনতি হোৱা বুলি কৈছে। আইন শৃঙ্খলা নোহোৱা বুলি যি সকলে কৈছে ভূতৰ মুখত ৰাম নাম লোৱাৰ নিচিনা হব। মই কব খুজিছো যে অসমৰ আইন শৃঙ্খলা সুন্দৰ ভাৱে চলি আছে।

যোৱা বছৰ এই চৰকাৰে স্বাস্থ্য বিভাগতো উল্লেখনীয় ভাবে সাফল্য লাভ কৰিছে। চৰকাৰ প্ৰতিষ্ঠিত হোৱাৰ পিচতে উত্তৰ কামৰূপত মেলেৰিয়া ৰোগৰ লগতে সমগ্ৰ অসমতে এন্‌কেফেলাইটিচ ৰোগৰ লগত সম্মুখীন হৈ তাক উপসম কৰিবলৈ সক্ষম হৈছে। বৰ্তমান চৰকাৰে বিভিন্ন ঠাইত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰি ৰোগী সকলৰ স্বাস্থ্যৰ বাবে ভাল ব্যৱস্থা কৰিছে। চিকিৎসাৰ সংখ্যা বঢ়াৰ লগে লগে আমাৰ অসমত আৰু নতুন ফাৰ্মাচি ইনচটিটিউট হোৱাটো আমাৰ চৰকাৰৰ সাফল্যৰ বিষয়। আমাৰ চৰকাৰৰ যথেষ্ট সাফল্য লাভ হোৱাৰ পিচতো আৰু বহুতো কাম কৰিব লগা আছে। চৰকাৰে স্বাস্থ্য শিক্ষা, মেডিকেল শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা নাই। সেয়েহে মই চৰকাৰক আহ্বান জনাইছো যাতে মেডিকেল শিক্ষাৰ ওপৰত বিশেষ ধৰণৰ গুৰুত্ব আৰোপ কৰি

ইয়াৰ মানদণ্ড উন্নত কৰিব পাৰে। আৰু তাৰ কাৰণে অসমত এখন মেডিকেল ইউনিভাৰছিটি স্থাপন হোৱাটো বিচাৰো। তেতিয়া হলে ৰিছাৰ্চৰ যথেষ্ট কাম কৰিব পৰা হব। মই মন্ত্ৰী মহোদয়ক এই বিষয়ৰ ওপৰত দৃষ্টি আকৰ্ষণ কৰিছো।

শিক্ষা বিভাগৰ ক্ষেত্ৰত অসম গণ পৰিষদ চৰকাৰে যথেষ্ট ৰূপে সাফল্য লাভ কৰিছে। প্ৰাথমিক বিদ্যালয় সমূহত যি ব্যৱস্থা লোৱা হৈছে, সেইটো যথেষ্ট প্ৰশংসনীয় হৈছে। অৱশ্য মই এই কথা কব বিচাৰো যে প্ৰাথমিক বিদ্যালয়ৰ গৃহ নিৰ্মাণ কৰিলেই শিক্ষাৰ মানদণ্ড উন্নত নহয়। সমগ্ৰ অসমতে প্ৰায়বিলাক বিদ্যালয়তে এজনকৈ শিক্ষক আছে। সেই শিক্ষকজন যদি বিদ্যালয়লৈ নাহে, তেতিয়া হলে বিদ্যালয় সম্পুৰ্ণৰূপে বন্ধ হৈ থাকে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে প্ৰাথমিক শিক্ষাৰ উন্নতিৰ কাৰণে আমাৰ যি সমূহ বিদ্যালয়ত এজন শিক্ষক আছে, সেই বিদ্যালয় সমূহত দুজন বা ততোধিক শিক্ষক নিয়োগ কৰি যাতে শিক্ষাৰ পৰিবেশ গঢ়ি তোলে। বিদ্যালয় সমূহৰ গৃহ নিৰ্মাণৰ কাৰণে যি টকা দিয়া হৈছে, সেই টকা এতিয়ালৈকে সম্পুৰ্ণৰূপে কামত লগোৱা হোৱা নাই। তাৰ ফলত কাম সমূহ যথেষ্ট লেহেম গতিত চলা দেখিবলৈ পোৱা গৈছে। মই আশা ৰাখিছো সেই কাম খৰতকীয়া কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা হাতত লব।

আজি অসমত গণ পৰিষদ চৰকাৰৰ দিনত যদিও চৰকাৰৰ ফালৰ পৰা সীমা বিবাদ সম্পৰ্কে যথেষ্ট আলাপ আলোচনা চলি আছে তথাপি আমি দেখিবলৈ পাইছো কিছু দিনৰ আগতে ছয়গাওঁ চাৰ্কোলত মেঘালয়ৰ পৰা কিছু মানুহ বিধায়ক সহ আহি আমাৰ মণ্ডলৰ হাতৰ পৰা মেপ, নক্সা আদি কাঢ়ি লৈ যায়। এই কথা আমাৰ সদনে জানে।

তাৰ পিচত যোৱা এক তাৰিখে ছয়গাওঁ চাৰ্কোলত তিনি কিলোমিটাৰ মানৰ ভিতৰত মেঘালয়ৰ লোকসকল আহি ৰাজহুৱা সভা সমিতি পাতে আৰু কুলচিৰ পৰা হাঁহিমলৈ সন্ত্ৰাসৰ সৃষ্টি কৰি দিছে। মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰো যাতে এই সীমা বিবাদ সম্পৰ্কে দৃষ্টি ৰাখি সৃষ্টি হোৱা উত্তেজনা সোনকালে উপসম ঘটোৱাৰ ব্যৱস্থা কৰে। কিয়নো এই সুবিধা লৈ জনজাতীয় লোকসকলক নানা ধৰণে উচ্‌তনি দি অনেক জনজাতীয় লোকৰ মাজত নতুনকৈ খুঁটি পুতিছে বা স্কুলঘৰ স্থাপন কৰাৰ কাৰণে ব্যৱস্থা লৈছে আৰু ৬/৭ কিঃ মিঃ ভিতৰলৈ তেওঁলোকে তেনে ধৰণেৰে যে খুঁটি পুতি লৈ মেঘালয়ৰ সীমা বুলি

দাবী কৰিছে। মই এই বিষয়টো মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো।

ইয়াৰ পিচত মই আমাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কথা দুআষাৰমান কব খুজিছো। এই বিভাগে যোৱা বছৰটোত যথেষ্ট সফলতা লাভ কৰিছে। এই বিভাগৰ দ্বাৰা প্ৰতিটো সমষ্টিত এশ নলী-নাদ আৰু পাঁচোটাকৈ পাইপ পুতি জনসাধাৰণক খোৱা পানীৰ যোগান ধৰাৰ কাৰণে ব্যৱস্থা লৈছে। যদি বছৰি এনে ধৰণৰ এশ নলী-নাদ আৰু পাঁচোটাৰ ঠাইত দুটাকৈ হলেও পানী পাইপৰ স্কীমৰ ব্যৱস্থা হাতত লোৱা হয়। আমাৰ প্ৰতিখন গাৱঁতে যথেষ্ট পৰিমাণৰ খোৱা পানীৰ অভাৱ দূৰ হব। কিন্তু আমি দেখিবলৈ পাইছো যে মোৰ ছয়গাওঁ সমষ্টিত যোৱা বছৰ এটা পাইপ পোতাৰ স্কীম আছিল, কিন্তু এইবাৰ ৯ টা পাইপ পোতাৰ কামৰপৰা বুজা যায় যে আমাৰ চৰকাৰে খোৱা পানী টোপাৰ কাৰণে যথেষ্ঠ চেষ্টা কৰি দুখীয়া ৰাইজৰ অভাৱ দূৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

অধ্যক্ষ মহোদয়, মই ৰাজ্যপালৰ ভাষণৰ ওপৰত শ্ৰীশৰ্মা ডাঙৰীয়াই অনা ধন্যবাদ সূচক প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

(At this point of time Mr. Speaker left the House and Shri Dinabandhu Choudhury occupied the Chair)

Mr. Chairman : Now, Honourable member Shri Abdul Muhib Majumdar will speak.

Shri Abdul Muhib Majumdar : Mr. Chairman Sir, I beg to stand here to oppose the Motion which has been advanced for expressing gratitude and proud on the address given by the Governor. Sir, I would like to raise a few points at the very outset. The Assembly is summoned under Article 174 of the Constitution. The Governor is entitled to make his Address and it is the convention and also the constitutional provision that the first session of the year has to be addressed by the Governor. The Article further says that the Governor has to tell us the causes for summoning the House. Rules 14 of the rules of the Assembly provides for motion of thanks. Now Sir, I humbly

state that there has been some confusion on both the aspects. The last paragraph of the Governor Address tells us about the policies of the Government. But Sir, it is absolutely about the causes of the summoning of the House and this is very important Assembly because we are going to pass the Budget for the whole year. Under Article 14 we are to have a motion of thanks for the address of the Governor but unfortunately, there is no mention of thanks before the House. I have got the copy of the motion which has been moved by the mover. The mover of the motion is still moving the motion of thanks. It tells us that we should express the gratitude and should be proud of the address of the Governor. I would submit before the House that the motion is not inform and it is technically defective. What we have discussed in the House is for the motion of thanks. Motion of thanks cannot be the motion of gratitude and motion of proud. Rule does not provide for it, Rule provides only for passing of the motion of thanks, Governor is to tell us about the policies of the Government and for that reason he deserves thanks. I say motion of thanks, it is alright, because he has taken the trouble of coming here and addressed the House. We can offer him thanks but not gratitude. He does not deserve gratitude. I would draw the attention of the mover of the motion, the Chief Whip of the party to this aspect. There are various wrong statements in the Governor Address and it appears it has escaped the notice of everybody here. I would only draw your attention to a few paragraphs of the Governor's Address. I agree to this. The youthful Government's dynamic and

determined measures have led to a significant transformation in the life of the State and ushered in a new atmosphere. Ofcourse, he only omitted the word romantic dynamic and also romantic. But after one year they look old. Their romance has gone.

Now Sir, I would like to request you to kindly see the next page of the Governor's Address. "Action has been initiated under the existing Acts and Rules for eviction of encroachers from the Government land as well as land in the Tribal Belts and Blocks". I say this is a wrong statement. I emphasise this is a wrong statement before the House. Because I being the lawyer of the High Court, I know in many cases action has been taken without resorting to any legal procedure or without consulting the Legal Department. No notice has been served, no prior information has been given but the people have been evicted. This is absolutely a wrong statement.

Now Sir, an ex-gratia grant of Rs. 30,000 per family has been sanctioned for the families of the martyres of the Assam Movement. How do you give ex-gratia grant to the people of Hailakandi ? Was there any influence of Assam Movement in Cachar ? Did any boy of Hailakandi take part in Assam Movement ? But this ex-gratia grant of Rs. 30,000 has been sanctioned to some of the families of Hailakandi as martyres of the Assam Movement. This is absolutely wrong, this is absolutely a false statement. There was no Assam Movement in that particular part of the State. If this ex-gratia grant would have been given to Hailakandi people under different head, we would not have objected to it.

Then Sir, at page 4 of the Governor's Address there is

another most dangerous statement. "The Government has given emphasis on maintenance of peace and harmony among the people and effective control of the law and order situation in the State. The emphasis is already there. "Certain forces and pressures, however, generated tension in some areas of the State" What are the forces and what are these pressures ? This is a dangerous statement in the Governor Address. Without mantioning specifically the forces and pressures the Governor has thrown out all of us in the dark to imagine what are those forces, those pressures.

Now Sir, the Government must be committed. The Government has been elected because of this. It has to maintain law and order and to save the country from the external invasion which are the primary functions of a Government. In the Governor's Address, it is stated that the Government is taking firm action against terrorism. But, in practice, the Government has been submitted to this terrorism. The most dangerous aspect I must humbly submit in this House is that the Governor in his Address stated that there is no border conflict with the neighbouring States. It is absolutely a false statement. We know and our people outside know that our people are taken away or kidnapped from the state of Assam. Inspite of these happenings, the Governor in his statement stated that there is no border problem with the neighbouring States I see this is the approach of the Government. The whole difficulty is that they are laying down a policy, but in practice, they are saying, the Government has no problem with the neighbouring States. This is a wrong Statement. The problem has arisen because there is an encroachment by the peopie of the neighbouring States. The people come over to Assam to live as Indian

citizen. There is no objection, any Indian can come and stay in the state. But they cannot claim a part of the territory. Is there anybody who has come to stay is making claim for territory of Assam. The Governor said, we have no problem. But we have got problem with the bordering states of Mizoram, Arunachal Pradesh and Maghalaya. It is known, the Mizoram has already claimed some part of Assam. Meghalay, similarlya, has claimed territory, and the Assam Government has transferred some blocks to Meghalaya. After that our Honourable Governor is telling this House in his Address that the Government of Assam has, in fact, no problem with the neighbouring States. Unless we know, how can we go on tackle it. In the last year, I had occasion to speak on the Governor's Address. Since then, there is no progress in the functioning of the Government. Did you see the Government Diary of this year. I have brought my own copy. This is published by the Government of Assam. We are grateful to the Government and the Chief Minister for giving us this Government Diary. There are photographs. Two pages of this Diary have been wasted by publication of this photograph. The border of the pages have been printed the photograph of Gamocha. Instead of this photograph, we may have been given Gamocha. The information given in this Diary is not related to this year. They came to power on 24th of December, 1985. They could give the information for the year 1986-87. You may kindly see, the information given are for Agriculture for the year 1984-85, for Education 84-85, Veterinary 82-83, Health for 83-84, Co-Opergtion for 1981-82 and P.W.D for 1984-85. You are passing the wrong information to malign

us. These are some of the aspects. I find there is complete lack of direction and policy of the Government. There is no concrete development and solution of the problem that is taking place under the Government. Now Sir, I will come to some other points. Our Chief Whip has moved a motion of thanks. I feel it is really a motion of gratitude. Sir, we are elected by the people of Assam to represent for the whole of the State or the whole of the Country. We must be very careful about our behaviour. Whenever we say something, we are faced with confrontation that the statement is false. Somethings it may be inc rrect. Which may be called terminological inexactitude. We must therefore, follow some decorum. If we do not follow this decorum, what will happen to other spheres of our life.

Sir, after 1986 the year 1987 has come and we have entered into a new year. Now, we are to see what is our achievement, what is our contributions. The day has to come after the night. Then Sir, it is now time to see what is our progress in the year 1986. Now, another important matter I would like to refer. The Honourable Chief Whip of the party is not present in the House now. The other day when we were talking on something, he got so excited that he did not allow us to speak. Sir, this is not the way to interrupt. When you travel by air, you are not to call the Air hostess pointing out your fingure. Sir, I remembered that on one occasion one of my friends called the Air-hostess pointing out his fingure. But the Air-hostess became annoyed and told him this was not the way to call her. Therefore, Sir, I would like to mention here that this is not the way to behave with other Honourable Members of the House when

the member are talking. So Sir, these are matters of serious consideration. We have to lay down certain standards of discipline. We should not lose our temper as we are the representatives of the public. After all we are projecting the interest of our people. Sir, there is a famous saying of Lord Action regarding the power. He says "Power corrupts and absolute power corrupts absolutely". Now, the present Government has come to power. They have seized the House. They have got the absolute power to-day. Now Sir, I am citing certain examples as to how this Government is utilising its power. First, I give a few example. Government of Assam is following a discriminatory policy in distributing funds. Sir, whenever Government distributes the largesse, it should be distributed equally. Sir, equality has to be maintained. Funds cannot be distributed because a particular constituency is elected an A.G.P. M.L.A. or so. This should be equally distributed. Sir, this year the funds by our Philosopher Education Minister had distributed unequally. In my constituency, since I am a Congress (I) M.L.A., I got funds for only 12 schools whereas in my neighbouring constituency, who is now an A.G.P. M.L.A., got the funds for 55 Schools. This is the way of distributing funds to schools belonging in Congress (I) or A.G.P. M.L.A. Sir, largesse should not be distributed in this way. Sir, why has done in this way ? It dose not sound well. Then Sir, I am coming to other aspect about the 'honesty'. When the present Government came first, we only heard one thing about the 'Nika Administration'. At that time this word was ringing like anything. Now Sir, what about the 'potato-deal' ? Potato has been purchased at a rate

of Rs. 7.50 per K.g. at a time when no such rate was existed in the country. But how it was done inspite of our Government's repeated soundings of 'Nika Administration' ? Then Sir, I am coming to another point about the School Board in Hailakandi. Sir, you will be astonished to know that in Hailakandi not a single educationist is found to be appoints as Chairman of the School Board. Sir, here a retired Excise Inspector, who was put under suspension twice in his service career, has been appointed as Chairman of the School Board. Government did not find out any educationist then a retired Inspector of Excise who has got no knowledge than the liquor shops.

Shri Sahidul Alam Choudhury : Sir, he is also an educated person. He is a graduate.

মাননীয় অধ্যক্ষ মহোদয়, চেয়াৰমেন কোন সেইটো প্ৰশ্ন মুঠে। 'চিলেকশ্বন বোৰ্ড' যি সকলক দিয়ে সেইসকলকহে দিয়া হয়।

শ্ৰীজয় নাথ শৰ্মা : মাননীয় চেয়াৰমেন মহোদয়, সদনৰ মাননীয় এজন সদস্যই বিধান সভাৰ সকলোখিনি 'ডেক'ৰাম' জনাৰ পিছত এজন মাননীয় সদস্যই এজন সন্মানীয় মন্ত্ৰীৰ লগত পোনপটীয়া ভাৱে তৰ্কাতৰ্কি কৰিব পাৰেনেকি ?

(গোলমাল)

শ্ৰীযতীন মালী (মন্ত্ৰী) : মাননীয় চেয়াৰমেন মহোদয়, হাইলাকান্দিৰ এলিমেণ্টেৰী বোৰ্ডৰ চেয়াৰমেন জনৰ সম্পৰ্কত মাননীয় সদস্যজনে যিবিলাক কথা কৈছে সেই সন্দৰ্ভত মই কব খোজো যে, এজন মানুহৰ শিক্ষাগত অৰ্হতা থকাৰ পিছত সেই মানুহজনৰ ব্যক্তিগত জীৱনৰ কাৰ্য্যপন্থা সম্পৰ্কে সদনৰ মজিয়াত আলোচনা সমালোচনা কৰাটো বৰ সমিচীন হোৱা নাই। শিক্ষাৰ লগত সঙ্গতি ৰাখিয়েই সেই পোষ্টটোৰ কাৰণে মানুহজনৰ যোগ্যতা চৰকাৰে পাইছে। এখন চৰকাৰী আসন পোৱাৰ পিছত এজন মানুহৰ ব্যক্তিগত জীৱনত এইদৰে হস্তক্ষেপ কৰাটো যথোপযুক্ত হোৱা নাই, যি গৰাকী মাননীয় সদস্যই এই কথাটো আজি উত্থাপন কৰিছে সেই মাননীয় সদস্যজনে এক পক্ষীয় দৃষ্টিভঙ্গী গ্ৰহণ কৰিছে। আজি

যিজন মাননীয় সদস্যই এনেবিলাক কথা উত্থাপন কৰিছে তেখেত সকল যেতিয়া বিগত চৰকাৰত আছিল তেতিয়া তেখেতসকলে যি দৃষ্টিভঙ্গী গ্ৰহণ কৰিছিল সেইটো সৰ্বজন বিদিত।

Shri Abdul Muhib Mazumdar: Sir, we did wrong thing and that is exactly why perhaps we had been thrown out of the Government. For your wrong things you will do the same. I am telling all these in anguish because of wrong selection. I have nothing against him personally, but he is not an educationist and let the Government enquire about it if my complaint is wrong. Secondly (Chairman's bell rang in warning) he is a retired Excise Inspector and he has perhaps equated education with excise matter. Why I say like this. Education Minister may kindly see the relevant File. When he wrote to the Hailakandi School Board Chairman for recommending the cases of schools for taking over, do you know what he had replied, he wrote "In Hailakandi no taking over of schools is necessary" (laughter in the Opposition Bench side). Now if an educationist were there as Chairman of the School Board, he would have never replied like this. There is so much of public demands for taking over of schools by Government. Perhaps he confused that the Schools were like excise shops.

Now Sir, another interesting feature of the present Government's action plan is ad-hocism. The Government are pursuing ad-hocism with all the local self-Government institutions like Municipalities, Panchayats etc. I know Sir, the same thing happened at the time of earlier government, but at that time they all criticised us light and left because

elections could not be held at that time ad-hoc bodies were to be formed by us. Now Sir, this Government also are doing the same thing. They have dissolved Panchayats, dissolved Municipal bodies and instead of elections they are forming ad-hoc bodies and they say they are following the democratic path. When they came to power, they emphatically stated that they would follow the democratic process and they would not be afraid of holding elections in the Gauhati Municipal Corporation and other Municipal Committees, in Panchayats; last year the Panchayat Minister told us that election would be held in May and yesterday when we put a question to him, Honourable Minister Panchayat stated in reply that he could not say whether the Panchayat Elections could be held this year, or next or even next 4 years. Is it the democratic practice of the present Government? Sir, these are matters which definitely pain us. Our Honourable Members in the Treasury Bench when they first came here they looked like being dynamic and also very revolting They looked like volcanoes ready to erupt when they came first. Now after a lapse of one year in the Government, what has come of them? Now they rememble is if extinct volcanoes. As representatives of the people we have certain duties, they have certain duties and obligations and government cannot absolve of its responsibilities towards the people. They cannot keep the elections in abeyance indefinitely. I feel anguished in this regard what has been mentioned in the Governor's Address is absolutely wrong and in this way you cannot keep the image you want it to be. Sir it is my duty to bring these matters to the notice of the House when I find

that the Chairman of the Hailakandi School Board said that no schools should be taken over by Government, (Chairman's bell rang).

Now Sir, only two more points I want to say about (Mr. Chairman : your time is over) only two things have come. Governor in his Address has spoken of Assam Accord. They have said it should be fully implemented. We on this side also say that it should be implemented ; but it is expressed now and then that because of certain snags, Assam Accord cannot be fully implemented by the present Government and they blame the Government of India that it is not doing its part for full implementation of the Accord. I want to ask, "Is there any indication given in the Governor's Address ?" If that is the public statement of the Ruling Party and it is the statement of the Chief Minister often we come across that Government of India is yet to implement its part of the Assam Accord, why it has not been mentioned in the Address of the Governor. Are they afraid of the Government of India ? Secondly, there is lot of criticism regarding Illegal Migrants (Determination by Tribunal) Act and the Government want it to be got amended by the Government of India and they are yet to do it, but I ask a simple question, "Assam Accord is there for Assam ; there is no Assam Accord in Meghalaya or in West Bengal ; does it mean that such type of people are to stay in Meghalaya or in Bengal because there is no Assam Accord ?" It cannot be like that. You cannot keep on blaming the Government of India because of the non-implementation of the Assam Accord in full. You may

drive out the people from Assam but they will go to the States where there is no Assam Accord. A volcanic situation will be created, and I would like to bring it to your notice, that a volcanic situation is sought to be created by certain extra-constitutional agencies, and I would appeal to the Government not to allow such agency to handle the affair of the Government. How can you enforce law if you do allow any extra-constitutional agency to take law into their own hands: If you do that, you will lend the Government into very great difficulties and there would be conflagration of the type you cannot conceive of it. Whether it is in Chaulkhowa or Maumari or any other place, if there are encroachers you evict them according to law but you cannot send armed people to drive the encroachers. I warn you that nothing should be done in the pattern it is sought to be done. (Chairman rang the bell).

Sir, another interesting matter is that in Assam we have got two kind of land-one is private land, and the other khas land or Government land if there is encroachment it is ever the Government land not the private land. So if there are encroachers on the Government land you will evict them. Now if you evict them from a khas land say 'A' land, without any alternative arrangement made to resettle them, then these encroachers will move from 'A' land and encroach upon another site of Government land, say 'B' land because they will have to stay somewhere and earn their livelihood. So the problem of encroachment will continue all along and there will be no end to it, because there is no land except Government land and there will be further encroachment on Government land because

they will have to stay somewhere and it is their constitutional right to earn livelihood like every other person. You cannot evict them like this, whether they are on Government land or in forest reserve without giving them any alternative land. This is the constitutional mandate. What you are now doing is not the proper policy of Government. Before you evict the pepole you think of giving them alternative site for settlement permanently so that they will not be required to encroach another plot of Government land. With these words, Sir, I beg to oppose the Motion of Thanks on the Governor's Address. This is actually an abuse to say this as 'Motion of Thanks'. It ia proper to say by the mover of the motion as a motion of his gratitude to the Governor. You can bring a Motion of Thanks if the Address deal with all aspects of the administration correctly of which we may be proud, but I am afraid Sir, the Address lacks in many respects and therefore it should be withdrawn in the best interest of the procedure as laid and established. With these words I oppose the motion and conclude my speech. Thank you.

শ্ৰীঅৰুণ ৰাভা : সন্মানীত সভাপতি মহোদয়, যোৱা ২ মাৰ্চ তাৰিখে অসমৰ ৰাজ্যপালে দিয়া ভাষণৰ ওপৰত মাননীয় সদস্য জয় নাথ শৰ্মা ডাঙৰীয়াই যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱটোৰ মই পুৰ্ণ সমৰ্থন জনাইছো। সন্মানীত ৰাজ্যপালৰ ভাষণত প্ৰথম দফাটেই যি অসম চুক্তিৰ বিষয়ে উল্লেখ কৰিছে তাৰ বাবে আমি আমাৰ চৰকাৰৰ তৰফৰ পৰা ধন্যবাদ জনাইছো। অসম চুক্তিৰ ওপৰত আজি অসমৰ জনসাধাৰণে আশা-ভৰষা কৰিয়ে এখন থলুৱা চৰকাৰ গঠন কৰি দিছিল আৰু সেই চৰকাৰখনেই হৈছে অসম গণ পৰিষদ চৰকাৰ। এই চৰকাৰে অসম চুক্তিখন বাস্তৱৰ ৰূপায়িত কৰাৰ কাৰণে দৃঢ় প্ৰতিশ্ৰুতিবদ্ধ আৰু সেই কাৰণেই ৰাজ্য চৰকাৰৰ তৰফৰ পৰা যিথিনি কৰিবলগীয়া

কাম সেইখিনি ইতিমধ্যে ই সম্পূৰ্ণ কৰিছে আৰু ইয়াত ভাষণত ৰাজ্য পালে বিতং ভাবে উল্লেখ কৰিছে। মাথোন কেন্দ্ৰীয় চৰকাৰৰ কামখিনি কৰিবলৈ বাকী থকাত চুক্তিখন আখৰে আখৰে পালন কৰাত অসুবিধাৰ সৃষ্টি হৈছে।

মই কব বিচাৰিছো যে আমাৰ চৰকাৰৰ আজি এটা বছৰ অতিবাহিত হোৱাৰ পিচত চুক্তিখন কাৰ্য্যকৰী নোহোৱাত কেন্দ্ৰীয় চৰকাৰৰ হেমাহি আছে। আমাৰ চৰকাৰে অন্ততঃ ইয়াৰ এটা বিকল্প বলিষ্ঠ পদক্ষেপ লোৱাতো নিত্যান্ত প্ৰয়োজন হৈ পৰিছে। কাৰণ অসম চুক্তিৰ প্ৰতি অসমৰ প্ৰতিজন ব্যক্তিৰ সমৰ্থন আছে। ৰাজনৈতিক, অৰাজনৈতিক সকলো ব্যক্তিৰ চুক্তিৰ প্ৰতি সমৰ্থন আছে। যদি সেয়ে হয় তেনেহলে আমি সকলোৱে ঐক্যবদ্ধভাৱে চুক্তিখন যাতে শীঘ্ৰে কাৰ্য্যকৰী কৰে তাৰ বাবে কেন্দ্ৰীয় চৰকাৰক হেচাঁ দিয়াতো নিত্যান্ত উচিত হব বুলি মই ভাবো। এই চুক্তিখনত জনজাতি সকলৰ নিৰাপত্তাৰ কথা স্পষ্টভাৱে উল্লেখ আছে। এইখিনি থকাৰ পিচতো অসমত বাস কৰা কিছুমান জনজাতীয় লোকৰ মনত যিটো আশংকা আহি পৰিছে সেইটো সম্পূৰ্ণভাৱে অমুলক আৰু ভিত্তিহীন বুলি ভাবো। কাৰণ অসমত বাস কৰা এই জনজাতীয় সকলে ভূমি পুত্ৰ বুলি দাবী আৰু গৌৰৱ কৰে। অথচ চুক্তিখন যদি কাৰ্য্যকৰী হয় নিৰাপত্তা কাৰ বাবে হব সেইটো ভালভাবে উপলব্ধি নকৰে। সেই কাৰণে আমাৰ যিসকল জনজাতীয় বিধায়ক আছে সপক্ষৰ বা বিপক্ষৰ হওঁক সকলোৱে দলবদ্ধভাবে জনমত গঠন কৰিব লাগে যে অতি শীঘ্ৰে অসম চুক্তিখন কাৰ্য্যকৰী কৰক আৰু জনজাতিসকলৰ যিখিনি নিৰাপত্তা সেইখিনি অক্ষুন্ন ৰখাত সহায় কৰক। অসমত নতুন চৰকাৰ প্ৰতিস্থা হোৱাৰ পিচত আইন শৃঙ্খলা সম্পূৰ্ণ স্বাভাৱিক হৈ আহিছে। ইয়াৰ মাজত দুই এটা অপ্ৰীতিকৰ ঘটনা হৈছে যদিও সেইবিলাক সম্পূৰ্ণ স্বাভাৱিক হৈ আহিছে। ইয়াৰ মাজত দুই এটা অপ্ৰীতিকৰ ঘটনা হৈছে যদিও সেইবিলাক সম্পূৰ্ণ ব্যক্তিগত আক্ৰোশৰ বাবে এই ঘটনা বিলাক হৈছে। ৰাজনৈতিক প্ৰৰোচনাত বা ৰাজনৈতিক ভাৱে কোনো ধৰণৰ ঘটনা সংঘটিত হোৱা নাই বুলি ভাবো। আইন শৃঙ্খলাৰ এটা সুস্থিৰ পৰিবেশ অহাত অসমত বাস কৰা জনসাধাৰণে শান্তি আৰু নিৰাপত্তাৰে জীয়াই থকাৰ এটা সকাহ পাইছে। তাৰ বাবে আমি ৰাজ্যপালৰ ভাষণৰ জৰিয়তে চৰকাৰখনক ধন্যবাদ দিয়া উচিত। ভাষণত ওচৰ চুবুৰীয়া ৰাজ্যৰ লগত থকা সম্পৰ্কৰ কথা উল্লেখ কৰিছে। চুবুৰীয়া ৰাজ্যৰ সীমাত থকা এজন বিধায়ক হিচাবে অসম মেঘালয় সমস্যাৰ সম্পৰ্কত অলপ কব বিচাৰিছো। যদি চুবুৰীয়া ৰাজ্য মেঘালয়ৰ সৈতে এটা মীমাংসাত অতি

শীঘ্রে আহিব নোৱাৰো তেনেহলে আমাৰ চৰকাৰৰ তৰফৰ পৰা বহুখিনি অসুবিধাৰ সন্মুখীন যে হব সেইটো নিশ্চিত। মই ৰংজুলী অঞ্চলৰ তেনেধৰণৰ ঘটনা কব বিচাৰিছো। ইতিমধ্যে মেঘালয় চৰকাৰৰ তৰফৰ পৰা ৰংজুলীৰ ওচৰত ডাকোৱাকাতা গাৱঁত ফৰেষ্ট অফিচ স্থাপন কৰিছে।

তেওঁলোকে অসমৰ ৫০/৬০ গজ ভিতৰত সোমাই আহিছে। এইবোৰ ঘটনাৰ দ্বাৰা দুইখন ৰাজ্যৰ মাজত ভৱিষ্যতে এটা অশান্তিৰ সৃষ্টি হব। যদি এই মুহূৰ্ত্তত কোনো ধৰণৰ ব্যৱস্থা লোৱা নহয় তেনেহলে আমাৰ বাবে এটা ডাঙৰ সমস্যা উদ্ভৱ হব। মই সমষ্টিৰ বিধায়ক হিচাবে কওঁ যে ৰাইজক নিৰাপত্তা দিয়াৰ ক্ষেত্ৰত অতি তৎপৰতাৰে মুখ্যমন্ত্ৰী মহোদয়ে সীমা সমস্যা সমাধানত ব্যৱস্থা লবলৈ আহ্বান জনালো। স্বাস্থ্য আৰু জলসিঞ্চনৰ বিষয়ে মই অলপ কব বিচাৰিছো। বিশেষকৈ অসমত স্বাস্থ্য সেৱা অতি দুৰ্বল। মই আন অঞ্চৰ কথা কবলৈ নাযাও। গোৱালপাৰাত যিখন চিভিল হস্পিতাল আছে স্বাধীন গণতান্ত্ৰিক দেশত আমাৰ থলুৱা চৰকাৰ থকাৰ পাচতো চিভিল হস্পিতালখনৰ অৱস্থা দেখিলে দুখ লাগে আৰু আচৰ্য্যজনক। এবাৰ মই মোৰ ঘৰৰ ৰোগী এজনক সেই হস্পিতালত ভৰ্ত্তি কৰিবলৈ গৈ চিট বিচাৰোতে তেওঁলোকে মোক চিট দিবলৈ কুণ্ঠাবোধ কৰিলে। এই কাৰণেই কুণ্ঠাবোধ কৰিলে যে সেই হস্পিতাল খনত মানুহ থকাৰ যোগ্য নহয়। গতিকে এই হস্পিতাল খনৰ বিহিত ব্যৱস্থা লোৱাৰ কাৰণে অনুৰোধ জনালো। লগতে স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই যিটো টি, বি, হস্পিতাল দক্ষিণ গোৱালপাৰাৰ ৰংজুলীত দিয়াৰ কাৰণে ঘোষণা কৰিছিল। শীঘ্ৰে যাতে ব্যৱস্থা লোৱা হয় তাৰ কাৰণে আহ্বান জনালো। খোৱা পানীৰ সন্দৰ্ভত ১৯৭১ চনত যিটো জৰীপ চলালে তাৰ ৰেকৰ্ডত পানীৰ প্ৰয়োজন থকা অঞ্চলত পানীৰ প্ৰয়োজন নাই বুলি লিখা হৈছে। আজি গোৱালপাৰা জিলাত এনে ধৰণৰ অৱস্থা হৈছে। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক আহ্বান জনাইছো নতুনকৈ জৰীপ চলাব লাগে যাতে প্ৰয়োজন অনুসৰি পানীৰ যোগান ধৰি চৰকাৰৰ লক্ষ্য আৰু উদ্দেশ্য সাফল্যমণ্ডিত কৰিব পাৰে। বন সম্পৰ্কত কব বিচাৰিছো যে যিখন ফৰেষ্ট আইন আছে সেইখন শীঘ্ৰে সংশোধন কৰিব লাগে। দক্ষিণ গোৱালপাৰাত আতাইতকৈ শালকাঠ বেচি আছে। গতিকে আইন সংশোধন কৰি সেই খিনি সংৰক্ষণৰ ব্যৱস্থা নকৰিলে সম্পূৰ্ণভাবে শাল কাঠ নিঃশেষ হৈ যোৱাৰ সম্ভৱনা আছে। আমাৰ মাননীয় সদস্য শ্ৰীজয় নাথ শৰ্মা ডাঙৰীয়াই যিটো ধন্যবাদসূচক প্ৰস্তাৱ আনিছে তাত পূৰ্ণ সমৰ্থন দিছো আৰু আশা

ৰাখিছো এই প্ৰস্তাৱৰ প্ৰতি সকলোৱে সমৰ্থন দি আমাৰ যিটো লক্ষ্য আৰু উদ্দেশ্য তাক সাফল্যমণ্ডিত কৰাত সহায় কৰে। এই খিনিকে কামনা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীগণেশ বড়ো : মাননীয় সভাপতি মহোদয়, মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত দুটামান মন্তব্য কৰিব বিচাৰিছো। এ, জি, পি চৰকাৰৰ যোৱা বছৰটোত মহাশূন্যৰ বছৰ বুলি ক'ব খুজিছো। এই কথা অকল মইয়েই কোৱা নাই, বিৰোধী পক্ষৰ সদস্যকে ধৰি শাসক দলৰ সদস্যসকলৰ বক্তব্যৰ মাজত নিৰোৎসাহিত ইঙ্গিত পাইছো। ১৯৮৫ চনৰ ২৪ ডিচেম্বৰ তাৰিখে নতুন চৰকাৰে নেহৰু ষ্টেডিয়ামত শপত গ্ৰহণ কৰা সময়ত বাহিৰে-ভিতৰে মানুহে ঠাহ খাই আছিল। সেই অনুষ্ঠানত পি-টি-চিৰ সদস্যসকলো উপস্থিত আছিলো। তাত লোক সভাৰ পি-টি-চিৰ সদস্যজনো উপস্থিত আছিল। এই শপত গ্ৰহণ অনুষ্ঠানত অসমৰ নৱনিৰ্বাচিত মুখ্যমন্ত্ৰী মাননীয় শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত আৰু গৃহমন্ত্ৰী শ্ৰীভৃগুকুমাৰ ফুকনৰ বক্তৃতা শুনিছিলো। যোৱা ৩৮ বছৰে অসমত চলা দুৰ্নীতি, শোষণ, নিষ্পেষণ এই আটাইবোৰ দূৰ কৰি নতুন চৰকাৰৰ দিনত এটা নতুন আশাৰ ৰেঙণি আমি দেখা পাম। কিন্তু সেই আশা ভাঙি গ'ল। যোৱা ২ মাৰ্চ তাৰিখে মহামান্য ৰাজ্যপালে যিটো ভাষণ দিলে তাৰপৰা আমি নিৰোৎসাহিত আৰু হতাশ হৈছো। আমাৰ পি-টি-চিৰ সদস্যসকলৰ সমগ্ৰ অসমৰ উমৈহতীয়া স্বাৰ্থৰ লগত জড়িত হলেও অসমৰ জনজাতি লোকসকলৰ নিৰাপত্তা বা স্বাৰ্থৰ কথা নিশ্চয় ভাবিব লাগিব। অসমৰ জনজাতিসকলৰ নিৰাপত্তা আৰু ৰক্ষণা-বেক্ষণৰ কাৰণে পি-টি-চিৰ জন্ম হোৱা ২০ বছৰ হ'ল। এ, জি, পি, চৰকাৰ অহাৰ পিছত আশা কৰিছিলো জনজাতিসকলৰ সমস্যা সমাধান হ'ব। কিন্তু এই চৰকাৰ অহাৰ পিছত জনজাতি সকলৰ সমস্যা বেছি দেখা পাইছো। সেই কাৰণে ৰাজ্যপালৰ ভাষণ দেখি অত্যন্ত হতাশ হৈছো। অসমৰ জনজাতি সকলৰ কোনো ৰকমৰ নিৰাপত্তা আৰু ৰক্ষণাবেক্ষণ নহব। সেই কাৰণে পি-টি-চিৰ নেতৃত্ব আৰু পৰিচালনাত জনজাতি ৰাইজে চিন্তা কৰিছে জনজাতিসকলৰ ৰাজনৈতিক ব্যৱস্থাপনাৰ বাবে কেন্দ্ৰীয় শাসিত ৰাজ্য উদয়াচলৰ দাবী কৰিবৰ বাবে। উদয়াচলৰ বাহিৰে জনজাতি সকলৰ অন্য গত্যন্তৰ নাই বুলি ঠিৰাং কৰিছে। ২০ বছৰে পি-টি-চিয়ে আন্দোলন চলাই আহিছে আৰু সৰ্বোচ্চ ত্যাগ আৰু কঠিনতম্ পৰিস্থিতিৰ সন্মুখীন হবৰ কাৰণে প্ৰস্তুত হৈছে। ১৯৮৬ চনৰ ২০ নবেম্বৰত ১২ ঘণ্টিয়া ৰেল ৰুক কাৰ্য্যসূচী পি-টি-চিয়ে লৈছিল। এই কাৰ্য্যসূচীত

প্ৰায় দুই লাখ জনজাতি পুৰুষ মহিলাই শ্ৰীৰামপুৰৰ পৰা মুৰকংচেলেকলৈ ৫০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰেল ৰুক কাৰ্য্যসূচীত যোগদান কৰিছিল। এইটোৱে প্ৰমাণ কৰিছে যে দুই লাখ জনজাতি পুৰুষ মহিলাই নিজৰ প্ৰাণ বিসৰ্জন দিবৰ কাৰণে প্ৰস্তুত হৈ আছিছিল। গতিকে এইটো দৃঢ়ভাৱে বুজি পোৱা গ'ল যে জনজাতিসকলে অসমত নিৰাপত্তা, ৰক্ষণাবেক্ষণ নাপাব। সেই কাৰণে আজি কঠিন ব্ৰত মনত লৈ কেন্দ্ৰীয় শাসিত উদয়াচল ৰাজ্য গঠন কৰিবৰ কাৰণে উঠি পৰি লাগিছে। সেই উদয়াচল ৰাজ্যৰ প্ৰতি সকলো সদস্যই সমৰ্থন জনাব নোৱাৰিব, আপত্তি থাকিব। আমাৰ যিসকল জনজাতি সদস্য শাসক দলত বিধায়ক আৰু মন্ত্ৰী হিচাপে আছে তেওঁলোকে উদয়াচল সৃষ্টি কৰাৰ কথাত নিশ্চয় আপত্তি জনাব। এই কথা ক'ব খুজিছো যে আছু আৰু গণ সংগ্ৰাম পৰিষদে অসমৰপৰা বিদেশী নাগৰিকক বহিষ্কাৰ কৰাৰ কাৰণে আন্দোলন কৰিছিল, সেই সময়ত বহুতেই আপত্তি কৰিছিল। সেইসকলৰ বহুতেই এতিয়া নেতা পালিনেতা হৈ আছে। প্ৰস্তাৱিত উদয়াচলৰপৰা নিৰ্বাচিত হৈ অহা জনজাতি বিধায়কসকল এতিয়া শাসক দলত বহি আছে। উদয়াচল সৃষ্টি হোৱাৰ পিছত সেইসকলে উদয়াচল বিধান সভালৈ নিৰ্বাচনৰ কাৰণে আগবাঢ়ি যাব। অসম বিধান সভালৈ আৰু নিৰ্বাচিত হৈ নাহে। হয়তো বিৰোধী দল হিচাপে নিৰ্বাচনত নামিব। নাইবা কৌশলেৰে পি-টি-চিৰ টিকট সংগ্ৰহ কৰি নিৰ্বাচনত নামিব। যেনেকৈ এ, জি, পিত সোমাইছে তেনেকৈ পি-টি-চিত সোমাবৰ কাৰণে চেষ্টা কৰিব পাৰে। মই আৰু বক্তব্য দীঘলীয়া কৰিব খোজা নাই। জনজাতি সকলৰ নিৰাপত্তাৰ কাৰণে, ৰক্ষণাবেক্ষণৰ কাৰণে আমাৰ এটাই পথ, এটাই লক্ষ্য সেইটো হ'ল উদয়াচল ৰাজ্য সৃষ্টি কৰা।

শ্ৰীফণি টায়েং : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদ সূচক প্ৰস্তাৱটো সমৰ্থন কৰি দু-আষাৰ কব বিচাৰিছো। অসম চৰকাৰে যোৱা বছৰটোত কি কি কাম কৰিলে আৰু ভৱিষ্যতে কাম কৰিবৰ কাৰণে কি কি আঁচনি লৈছে, এই সম্পৰ্কত পক্ষে বিপক্ষে নানা ধৰণৰ আলোচনা আৰু সমালোচনা হৈছে। বিশেষকৈ বিৰোধী পক্ষৰ সদস্যসকলে বেছি ধৰণে সমালোচনা কৰিছে। এইটো বৰ দুখৰ কথা। বহুতো সদস্যই আজি সীমা সমস্যা নাইকীয়া বুলি কৈছে। কিন্তু আজিও অৰুণাচল, নাগালেণ্ড আৰু মেঘালয়ত সীমা সমস্যা বিদ্যমান হৈ আছে। মই যোৱা ২৬ তাৰিখে লেখাপানীলৈ গৈ দেখিছো যে, যি ঠাইত চীনা

আক্ৰমনৰ সময়ত ভাৰতীয় সেনা বাহিনীয়ে অস্ত্ৰ শস্ত্ৰ লৈ চীনা খেদাইছিল, সেই ঠাইত বাংলাদেশী মানুহ ভৰি পৰিছে। ফলত সীমা সমস্যাৰ সৃষ্টি হৈছে। মই অৰুনাচলৰ প্ৰায় ৭ কিলো মিটাৰ দেখিছো আৰু অৰুনাচলৰ ভাই সকলে কৈছে যে, অসমৰ মানুহ ইয়াত বহিলে আমাৰ কোনো আপত্তি নাই কাৰণ অসমৰ মানুহেও খাওক, আমিও খাম। কিন্তু আজি অৰুনাচল সীমাত বাংলাদেশী আৰু নেপালী মানুহ ভৰি পৰিছে। আজি বিদেশীহে আমদানী কৰা হৈছে। আনহাতে আজি জনজাতীয় সমস্যাৰ সৃষ্টি হৈছে। যি সকলে নিজকে চাহবেলৰ সেনাপতি বুলি ভাবি তৰোৱাল ঘূৰাই আছে, তেখেত সকলৰ টাৰগেট কি ? আজি উদয়াচল পাতিবলৈ বিচাৰিছে, কিন্তু তাৰ আগতে বিদেশী বহিস্কাৰ কৰিব লাগিব। অসম চুক্তি ৰূপায়িত হলেহে ট্ৰাইবেল বেল্ট আৰু ব্লক ৰক্ষা পৰিব। সংৰক্ষন হব। আজি জোনাইত উচ্ছেদ কাৰ্য্য আৰম্ভ হৈছে। আজি উচ্ছেদৰ নামত ভাৰতীয় মানুহ হাৰাশাস্তি হৈছে। যিবিলাক মানুহ অসমত আছে, অসমত বিদেশী লোক বাস কৰা অঞ্চলত ৰাজনৈতিক ভাবে কাম কৰিছে, তেওঁ লোকৰ ওপৰত সন্দেহ আহিছে। নিজৰ পুখুৰীত মাছ পুহিলে শিঙিয়ে বিন্ধিবই। আজি চাউলখোৱা আৰু মোৱামাৰী চৰৰ কথা উথাপন কৰা হৈছে। কিন্তু আমাৰ চৰকাৰে চৰ অঞ্চলৰ উন্নতিৰ যিমান কাম কৰিলে তাৰ কোনো হিচাব নাই। কিন্তু আজি চাউলখোৱা আৰু মোৱামাৰী চৰক লৈহে ব্যস্ত হৈ আছে। চৰকাৰে এই চৰ বিলাকৰ উন্নয়নৰ বাবে যিবিলাক কাম কৰিলে তাৰ কোনো উল্লেখ নাই। ১৯৮৩ চনত চেঙাজান আদি ঠাইত সশস্ত্ৰ চি,আৰ, পিয়ে থলুৱা মানুহক তাৰ পৰা খেদি পঠিয়ায় আৰু তাত বাংলাদেশী মানুহ বহিবলৈ দিয়ে। এইবিলাক সম্পৰ্কত আজিও বহুতো কেচ চলি আছে। গতিকে যিবিলাক ট্ৰাইবেলৰ মাটি দখল কৰিছে, সেইবিলাক উদ্ধাৰ কৰিব লাগে।

আজি স্কুলৰ ক্ষেত্ৰত কোনোৱে ১২ খন পাইছে আৰু কোনোৱে তাতোকৈ বেছি পাইছে। তাৰ বাবে ৰহুতো আপত্তি আহিছে। কিন্তু আজি ইমান বছৰে মোৰ সমষ্টিত এখনো স্কুল হোৱা নাই আৰু বিল্ডিং গ্ৰান্ট পোৱা নাই। আজি দেখা গৈছে অসমত থাকিলেই নহয়, অসমক ভাল পাবও লাগিব।

অসম ৰাজ্যখনক বা অসমৰ জনগণক ভালপোৱামানে সমগ্ৰ ভাৰতবৰ্ষকে ভাল পোৱা বুজাব। গতিকে যি সকল মাননীয় সদস্যই অসম মৰিলে আমিও মৰিম বুলি কৈছিল তেওঁলোকৰ কাৰণে আৰু বেছি কৰিব লাগে। মই আৰু বেছি কব খোজা নাই। বনাঞ্চল বেদখলৰ কথা বহুতে কৈছে। আমাৰ এজন

জেষ্ঠ সদস্যই কৈছে-পিছে ইতিহাস পাহৰিলে নহব। মাইবং, ডিমাপুৰ কাৰ ৰাজধানী আছিল ? আপুনি আজি চাওঁক গোৱালপাৰাৰ লোক সকলে নিজৰ ম্যাদি পট্টাৰ মাটি সন্দেহযুক্ত বাংলাদেশীৰ ওচৰত বিক্ৰী কৰি জোনাই অঞ্চলত গৈ বেদখল কৰিছে, কোকৰাঝাৰৰ মানুহে আজি বনাঞ্চল ধ্বংস কৰিছে। গতিকে তেওঁলোকক এটা শিক্ষা দিয়া উচিত। চৰকাৰে ঘোষণা কৰিছে যে গছ থাকিলেহে মানুহ থাকিব। আমাৰ যিসকললোকে উদয়াচলৰ সপোন দেখিছে তেওঁলোকে এইবিলাক কথা মনত ৰখা উচিত। যোৱা ৩ তাৰিখে সংসদত পশ্চিমবঙ্গৰ দুজন সদস্যই অসমত জনজাতি উচ্ছেদৰ প্ৰশ্ন কৰিছে। তেওঁলোকে আজি বৃহত্তৰ বাংলাদেশৰ সপোন দেখিছে। সংসদত জনজাতিৰ কাৰণে মাত মাতিব পৰা আৰু বহুত সদস্য আছিল। গতিকে এইবোৰ কথা আমি মনত ৰাখিব লাগে। মই আৰু বেছি দীঘলীয়া নকৰো ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত মুখ্য সচেতক ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে তাৰ প্ৰতি আদৰণি জনায় মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Shri Sheikh Saman Ali : Mr. Speaker Sir, I would like to speak in support of the amendment brought by Shri Santi Ranjan Das Gupta to the Motion of Thanks for Governor's Address. Sir, I will only touch the vital aspect of Flood Control. Flood and Erosion create havoc in North Eastern Region, particularly in Assam by the river Brahmaputra. But in the Governor's Address he is quite silent about this problem. The Governor has said "Construction of storage reservoirs under projects like Subansiri Dam Project and Barak Dam Project can case the flood problem". I oppose this. Subansiri Project alone will not ease the flood situation in Assam. Flood creates havoc and total massacre both in Barak Valley and Brahmaputra Valley. That is why, if Brahmaputra river is not controlled in the near future it will engulf the whole of Assam and Assam will not be able to stand erect. Honourable Minister for Releif & Rehabilitation will kindly make assessment of affected people

by erosion and take steps for their proper rehabilitation. Otherwise they will demand back their land eroded by river. Sir, there are Blocks and Belts for the protection of Tribal people. What about those who are frequently affected by erosion and rendered homeless ? It is the responsibility of the Government to rehabilitate those people. There is protection of the people living in the Hills, living in the Tribal Belts and Blocks, but what about the people living in the Chars ? This vital aspect has not found place in the Governor's Address. My suggestion is that the people who are affected by the erosion holding patta of their land should be given remission of land revenue. Sir, I regretfully say that the people who are living in the Chars are termed as 'Pamua' and suspected foreigners. Sir, I want to make reference to Shakespeare's drama 'Othelo' when Othelo wanted to kill Desidoma she exclaimed what was her sin. Was it that she loved him ? So is the case with these people who are mostly living in the Chars, These people loved Assam, gave away their own language and took Assamese as their language as their own and now they are being treated in this manner. I want to tell the Members of the Treasury Benches that if things go on like this they will have to repent for this. Sir, it has been found that when there is no marginal land the department takes up project for construction of dam which ultimately do not materialise. So I would request the Minister concerned earnestly to take up projects for such dams as anti-erosion measure where there is marginal land.

With these few observations I conclude.

শ্ৰীমতী জোৎস্না সোনোৱাল : মাননীয় অধ্যক্ষ মহোদয় আৰু সন্মানীয় সদন, মই ৰাজ্যপালৰ বাজেট অধিৱেশনৰ ভাষণটো সমৰ্থন জনাইছো আৰু আমাৰ মাননীয় জয় নাথ শৰ্মা ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদ সূচক প্ৰস্তাৱটো সমৰ্থন জনাইছো। ৰাজ্যখনৰ জাতীয় জীৱনৰ ধ্যান-ধাৰণা, সমাজৰ উন্নয়নৰ অৰ্থে চৰকাৰে প্ৰচেষ্টা চলোৱা এবছৰীয়া কাম-কাজৰ খতিয়ান ভাষণত স্পষ্ট ভাৱে প্ৰকাশ পাইছে। ভাষণত সকলো দিশতে গুৰুত্বপূৰ্ণ আশা আৰু আকাংক্ষা জন-গণলৈ কঢ়িয়াই অনাতো প্ৰতিফলিত হৈছে। ভাষণটো মই এবছৰীয়া আমাৰ চৰকাৰৰ কাম-কাজৰ ইতিবৃত্ত বুলি আখ্যা দিব বিচাৰিছো। ভাষণত এটি কথা আৰম্ভণীৰে পৰাই শেষলৈকে আছে, সেয়া হ'ল সমগ্ৰ ৰাজ্য খনৰ ঐক্য সংহতি। কিন্তু এটি দুখজনক কথা যে এই সদনত ৰাজ্যপালৰ ভাষণৰ ওপৰত যি সকলে অনাস্থা প্ৰস্তাৱ আনিছে তেওঁলোকৰ ভাষণত এটা কথাই প্ৰকাশ পাইছে যে ২টা পাৰ্থক্য ওলাই পৰিছে ৰাজ্যপালৰ ভাষণ আৰু বিৰোধী পক্ষৰ ভাষণৰ ওপৰত। অসম চৰকাৰে অসমত সকলো বৈষম্য আতৰাই এখন জাতি-ধৰ্ম নিৰ্বিশেষে সুন্দৰ নিকা সমাজ গঠন কৰাৰ কাৰণে যি ঐকান্তিক প্ৰচেষ্টা চলাইছে তাত বিৰোধী দলৰ পৰা প্ৰকাশ পাইছে বৈষম্যমূলক চিন্তাধাৰ। এই দুটা পাৰ্থক্যত সচাঁকৈয়ে আমি আচৰিত হৈছো। ৰাজ্যপালৰ ভাষণত ঐক্য সংহতি অটুত ৰখাৰ কাৰণে আহ্বান জনাইছে।

অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত ভাষণত প্ৰকাশ পাইছে যে চৰকাৰী মাটি আৰু জনজাতীয় আবেষ্টনী বেল্ট আৰু ব্লক সমূহত যি বেদখল হৈছে সেইটো আইন আৰু বিধি অনুযায়ী উচ্ছেদ কৰা হব। আন এটা কথা অসমীয়া জাতি আৰু সমাজ আৰু সাংস্কৃতিক এই আটাইকেইটা দিশেই অনুভৱ কৰি অসমীয়া জাতি হিচাবে পৰিগণিত কৰিব বিচাৰিছে। আনহাতেদি এই বৈষম্যমূলক চিন্তা ধাৰা আতৰাই ইয়াত সহযোগ কৰাতো বিচাৰিছো। আৰু এটা নতুন কথা প্ৰকাশ পাইছে সেইটো হ'ল অসমৰ কোনো সীমা সমস্যা নাই। বৰ্ত্তমান ৰাজ্য চৰকাৰে উন্নয়নৰ কাৰণে দিয়া পৰামৰ্শ সমূহ ক্ষিপ্ৰতাৰে পালন কৰিবলৈ চেষ্টা কৰিব আৰু ইয়াৰ লগতে আমাৰ সীমামূৰীয়া সমস্যা সমূহো সমাধান কৰাৰ ক্ষেত্ৰত এই উন্নয়নমূলক আঁচনি সমূহে ইন্ধন যোগাব। আমি আশা ৰাখিছো ভাৰতৰ জৰীপ বিভাগে সীমান্ত অঞ্চলত জৰীপ কাৰ্য্য চলাই তাত ৰাস্তা-ঘাট নিৰ্মান

কৰাই তাত থকা সমস্যা সমূহ নিয়ন্ত্ৰন কৰিব লাগে। বন বিভাগে প্ৰচেষ্টা লোৱা নদীৰ কাষৰীয়া অঞ্চল বিলাক কটকটীয়া নিয়ন্ত্ৰন ৰখাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। আমাৰ ওচৰচুবুৰীয়া ৰাজ্য বিলাকৰ সীমান্তৰ সমস্যাৰ ক্ষেত্ৰত যি খিনি প্ৰচেষ্টা লোৱা বুলি প্ৰকাশ পাইছে তাৰ বাবে ওলগ জনাইছো। লগতে সদনত মই আন এটা কথা ডাঙি ধৰিব বিচাৰিছো সেইটো হ'ল বাননিয়ন্ত্ৰন। আজি ৰাজ্যপালৰ ভাষণত প্ৰকাশ পাইছে যে বাননিয়ন্ত্ৰণৰ কাৰণে কেন্দ্ৰৰ পৰা পৰ্য্যাপ্ত পৰিমানৰ সহায় নোপোৱাত এক অন্তৰায় হৈ পৰিছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছে। ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত স্পষ্ট ভাবে কাম কৰিব বিচাৰে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত। আমাৰ ফালৰ পৰা অনুৰোধ জনাব বিচাৰিছো চলিত বছৰত কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক সহায় নকৰিলে ভালেমান জিলা বিপদাপন্ন হৈ পৰিব। বিশেষকৈ অসমৰ মাজুলীতেই নহয়, শদিয়াতেই নহয়, অন্যান্য ঠাইতো বিপদাপন্ন হৈ পৰিব। সেয়েই আমি ৰাজ্য চৰকাৰলৈ অনুৰোধ জনাইছো এনে ধৰনৰ পৰামৰ্শ বিলাক বিবেচনা কৰিলে ভাল হয়। ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰন কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক দায়িত্ব দিব লাগে আৰু সৰু সৰু নদী বিলাক নিয়ন্ত্ৰন কৰাৰ কাৰণে ৰাজ্য চৰকাৰে নিজে দায়িত্ব লব লাগে। জৰীপৰ বিষয়ে যি কোৱা হৈছে, জৰীপ কাৰ্য্য চলাই ৰাজহ বিভাগে মাটিৰ আবণ্টন দি চৰকাৰে জনজাতীয় লোক সকলক পট্টা দিয়াৰ ব্যৱস্থা কৰিছে। বিৰোধী দলে অসমৰ শিক্ষা বিভাগৰ বিষয়ে কৈছে যে বহু ঠাইত ১২ খন স্কুল দিছে, বহু ঠাইত ২৪ খন দিছে। আমাৰ তাত ৮টা ব্লক আছে, এই ৮ টাৰ ভিতৰত ৫ টা ব্লকেই ১৯৮৫-৮৬ চনত এটা ব্লকতেই ২৮ খন স্কুলৰ গ্ৰান্ট দিছিল। এইটো উদাহৰণ চাওক অথচ এতিয়া এইখিনি নকৰাৰ কাৰণেই বৈষম্য থকা বুলি কৈছে। মই স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনাৰ শিতানত এটা কথা চৰকাৰলৈ অনুৰোধ জনাইছো অসম মেডিকেল কলেজখন পূৰ্ণাঙ্গ এখন অসম মেডিকেল কলেজ স্থাপন কৰাৰ কাৰণে এটা সুন্দৰ ব্যৱস্থা লওক, যিহেতু অসম মেডিকেল কলেজৰ সম্প্ৰসাৰণৰ ওপৰত অসমৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰ নিৰ্ভৰ কৰিছে। মই বিশেষ ক'ব খোজা নাই, সদনত অসম চৰকাৰে কেনে ধৰণৰ কাম-কাজ কৰিছে তাৰ ইংগিত ৰাজ্যপালৰ ভাষণত দিছে, ৰাজ্যখনৰ ভৱিষ্যত উন্নয়ণৰ ইংগিত বহনকাৰী চৰকাৰৰ কেতবোৰ ঘাই ঘাই নীতি আঁচনি তথা সফলতাৰ এক থুলমূল আভাসহে মই ডাঙি ধৰিছো। সকলো শ্ৰেণীৰ জনসাধাৰণৰ সামুহিক প্ৰচেষ্টা আৰু সক্ৰিয় সহযোগিতাৰ যোগেদিহে

কেতবোৰ বিশেষ ধৰণৰ সমস্যা আৰু বাধা-বিঘিনি আগুৰি থকা এই ৰাজ্যখনৰ প্ৰকৃত উন্নয়ণৰ সম্ভৱপৰ হ'ব। এই ঐক্য, শান্তি-সম্প্ৰীতি আৰু প্ৰগতি এই তিনিটা অসমৰ মূল কথা। ৰাজ্যপালৰ ভাষণত থকাৰ কাৰণে আৰু এইকেইটাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ কাৰণে এই ভাষণক মই সুন্দৰ ভাষণ আৰু জনগণৰ কল্যান ভাষণ হিচাবে আখ্যা দিছো আৰু ধন্যবাদ জনাইছো।

শ্ৰীমচিৰুদ্দিন শেখ : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ আহিছে আৰু তাৰ ওপৰত যি সংশোধনী আহিছে তাক সমৰ্থন কৰি কবলৈ ওলাইছো যে ৰাজ্যপালৰ ভাষণখনত ৰাজ্যখনৰ এখন কাৰ্য্যসূচীৰ এটা চিত্ৰ ডাঙি ধৰিব লাগে, কিন্তু ৰাজ্যপালৰ ভাষণখন যদি সঠিকভাবে অধ্যয়ন কৰা হয় তেতিয়াহলে দেখা যায় এই ভাষণৰ দ্বাৰা অসম ৰাজ্যখনক প্ৰতাৰণা কৰা হৈছে। কিছুমান ক্ষেত্ৰত আমাৰ সদনত আলোচনা হৈছে আৰু আপোনালোকে জানে যে অসমৰ চুবুৰীয়া ৰাজ্যবোৰৰ লগত বাউণ্ডাৰী দিচপিউট হৈছে আৰু কেবাজনো সদস্যই চৰকাৰৰ ফালৰ হওঁক, বিৰোধী পক্ষৰ হওঁক, তেখেতসকলে এই বিষয়ে উত্থাপন কৰিছে। ইয়াত মেৰাপানীৰ কথা ওলাইছে, নগালেণ্ডৰ কথা ওলাইছে, মেঘালয়ৰ কথা ওলাইছে। এইবিলাক বিষয় লৈ সদনত দৃষ্টি আকৰ্ষণ হৈছে। অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যোৱা কালি দৈনিক অসম বাতৰি কাকতত প্ৰকাশ পাইছে যে গৃহ মন্ত্ৰী কাৰ্বিআলং সদৰ কৰাৰ সময়ত মাননীয় বাননিয়ন্ত্ৰন মন্ত্ৰী ডাঙৰীয়াও আছিল, তেখেত সকলে গৈ দেখিছে যে নগালেণ্ড আৰু মেঘালয় সীমাত ১ কিলোমিটাৰ ডেৰ কিলোমিটাৰ অঞ্চল অসমৰ ভিতৰলৈ সোমাই আহিছে আৰু তাত অফিচ বিল্ডিং বান্ধিছে।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য গৰাকীয়ে বাকী থকা খিনি অহা সোমবাৰে আৰম্ভ কৰিব।

(এতিয়া সদন অহা ৯ মাৰ্চ তাৰিখ, ৯ বজালৈকে স্থগিত থাকে।)

Adjournment

The House rose at 11-30 A. M. and stood adjourned till 9 A. M. on Monday, the 9th March, 1987.

Dr. P. N. Hazarika
Secretary
Assam Legislative Assembly

Dispur
The 6th March, 1987

Annexure I

List of Cars Alloted to Honourable Members as on 4-3-87

RULLING PARTY (A. G. P.)

1.	Shri S. Haque Choudhury,	M. L. A.	—ASU—6801
2.	" J. P. Tewari	"	—AMZ—4572
3.	" D. Bora	"	—AMZ—6197
4.	" H. Bora	"	—ASU— 6796
5.	" M. M. Choudhury	"	—ASU— 6794

OPPOSITION PARTY

1.	Shri A. Islam,	M. L. A.	(Ind.)	—ASU—2785
2.	" A. Basumatary	"	(Cong. S)	—ASU—2504
3.	" S. Islam	"	(UMF)	—ASU—6800
4.	" S. Ali	"	"	—AMA—7539
5.	" A. J, Ragibi	"	"	—ASU—6790

Annexure II

কলিয়াবৰ জলসিঞ্চন আঁচনিৰ ১৯৮৬ চনৰ মাৰ্চ মাহলৈকে হোৱা বিভিন্ন শিতানত তলত দিয়া ধৰণেৰে খৰছৰ হিচাব দাঙি ধৰা হ'ল।

নং	শিতান	১৯৮৬ চনৰ মাৰ্চ মাহলৈকে মুঠ খৰছ (লাখৰ হিচাব)	মন্তব্য
১	২	৩	৪
১।	প্ৰিলিমিনেৰি ও ল্যাণ্ড	৫৯·৮৭	
২।	ৰাজ এণ্ড পাম্পচ্	১২৯·৭২	
৩।	কেনেল চিষ্টেম্	১০৩·৬৩	
৪।	ডিষ্ট্ৰিবিউটৰী চিষ্টেম	১·৩৬	
৫।	কেনেল ষ্ট্ৰাকচাৰ	৪২·৫৬	
৬।	ক্ৰচ ড্ৰেনেইজ	৩০·৩৬	
৭।	এপ্ৰোচ ৰোড	১০·৩২	
৮।	এন্টি ওৱাটাৰ লগিং মিজাৰচ্	৩·৮৯	
৯।	মিছিলেনিয়াচ্	১·৯৮	
১০।	মেইণ্ট ডিউৰিং একজিকিউচন	২২·২২	
১১।	স্পেচিয়েল টি-এণ্ড-পি	৩·৬৩	
১২।	বিল্ডিং	৪৪·৩৮	
১৩।	ষ্টক লচেচ্	১৭·৩৮	
১৪।	ওৱাটাৰ ক'চ	৬৭·৩৪	
১৫।	কেনেল লাইনিং	—	
১৬।	ৰিচিপ্ট এণ্ড ৰিকভাৰিজ	—	
১৭।	ৰেগুলাৰ এষ্টাব্লিচমেণ্ট	২১·৩৪	
১৮।	অৰডিনেৰি টি এণ্ড পি	১·৮৭	
১৯।	কন্টিনজেনচি	—	
২০।	অডিট এণ্ড একাউন্টচ্	—	
		মুঠ ৫৬১·৮৫	

Annexure III

BARPETA SAMABAYA MARAPAT KOL LTD.
BALANCE SHEET AS ON 30-6-86

Liabilities :

1. Share Capital .... 87,412·00
2. Reserve fund ...... 2,492·00
3. Govt. loan due against Vehicle ... ... 51,480·00
4. Audit fees due .... 1,146·00
5. Temporary loan due to Ex- Secy. Sri M. Das .... 160·00

Assets

1. Cash in hand ... ... 1,334·25
   a) Cash with Abdul Kayam. present Secy. : 39·90
   b) Cash with Shri A. K. Das, Ex–Secy. : 697·30
   c) Cash with Shri M. Das, Ex-Secy. : 597·05
2. **Cash at Bank** ... ... 97,159·60
   a) Apex Bank, Barpeta : 73,417·31
   b) Union Bank, Barpeta : 15,799·65
   c) UCo Bank, Howly : 7,942·64

      97,159·60
3. **Value of furniture** ... ... 961·60
4. Vaule of Vehicle ... ... 20,918·79
   & value of vehicle : 26,148·47
   less depreciation : 5,229·68

      20,918·79
5. Advance as house rent recoverable from the Dist. **Congress office,** Barpeta : 195·00
6. Share money recoverable from the different persons as per **enclosed list** ... ... 5,469·00
7. T. A. Advance recoverable **from Chairman,** A. Latif : 1,000.00
8. Losses ... ... 15,651·75
   Previous loss : 41,773·28
   Less Current, profit : 26,121·52

      15,651·76

Total 1,42,690·00	Total Rs. ... ...1,42,690·00

Sd/- 9.12.86

Senior Auditor of Co-op. Societies

Annexure IV

U. S. Q. 102

1	2	3	4	5	6	7
Schemes to be taken during and after Flood.						
K.A. (a) Protection of Kharonibazar from the erosion of river Kopili on R/B (near the U/S of Kapili R.C.C. Bridge).	A.A. No. FC (BC) 62/86/18 dt. 28-11-86 — 8·212					7.53
N.C. Hills. (b) Protection of Paddy field area from Phiding to Daotulaja against the erosion of river Mahur.	A.A. No. FC (BC) 64/86/8 dt 28-11-86. —13.88					6.24
K.A. (c) Protection of differnent reaches from the erosion of river Dhansiri in K. A. Dist. Ph-IX (Prot. of Daijinfang vill-cum paddy field area).	A.A. FC (BC) 68/86/10 dt. 29-11-86. — 2 14					
K.A. (d) Protection of Okreng and Dighalpani vill from erosion of river Dighalpani in K. A. Dist.	A.A. No. FC (BC) 61/86/7 dt. 29-11-86. 5-9-23					2.14
K.A. (e) Protection of different reaches from the erosion of river Dhansiri Ph—VIII. (Prot. of Rangagora vill).	A.A, FC (BC) 65/86/6 dt. 29-11-86. — 6.717					5·923

1	2	3	4	5	6	7
K.A. (f) Protection of different reaches from the erosion of river Dhansiri Ph. VII (Prot. of Shibbari upper Khatkhati vill).	A.A. FC (BC) 63/86/7 dt. 28-11-86. 3.32					6·48
Kokra-jhar. A.A. to the scheme A/E to protect Aie. Embkt. at Chillapara from erosion of river Aie.	A A. FC (BC) 162/86/9 dt. 8-10-86 1598,00/-					
Dhubri. A.A. to the scheme protection of work No. 1 of Dhubri Town from the erosion of river Brahmaputra Ph. I.	A.A. FC (BC) 245/86/9 dt. 23-10-86. 48,55,900/-					3·32
Nalbari : A.A. for the scheme "Protection of work at D/S of Mukalmua (Holighat) Protection site from erosion of river Brahmaputra (Cons. of Timber Dampenar).	A.A. FC (BC) 165/86/17 dt. 8-10-86. 36,74,300.00					----
						6